চান্দমামা

অক্ট'বাৰ ১৯৯১



MAGGI CLUBBERS FUN LOVERS MAGGI CLUB
মেগী ক্লাবে বিনামূল্যে উপহাৰ বিলাইছে, অৰণ্যৰ ৰহস্যই তোমাক হাত বাউল দিছে!
অকণ অকণিহঁত আহা! মেগী ক্লাবত যোগদিয়া আৰু বছৰটো জোৰা ৰং তামচাত ভাগ লোৱা। নিউজলেটাৰ, উপহাৰ, খেল আৰু অন্যান্য অৰণ্যৰ ৰহস্য ভৰা সম্ভাৰ...
তুমি কেৱল এই টো মেগী নুডলছৰ 5টা খালি পেকেটৰ সন্মুখৰ ফালৰ পৰা কাটি তোমাৰ নাম আৰু ঠিকনা সহ আৰু তোমাক কোনটো উপহাৰ লাগে তাকো লিখি আমালৈ পঠাই দিয়া। যদিহে তুমি মেগী ক্লাবৰ সদস্য তেনেহলে তোমাৰ সদস্য নম্বৰটোও লিখি পঠাবলৈ নাপাহৰিবা। তুমি যদি এতিয়াও মেগী ক্লাবৰ সদস্য হোৱা নাই তেনে হলে এইটো সুযোগ নেহেৰুৱাবা। ওপৰত উল্লেখ কৰা বিৱৰণবোৰ পঠাওঁতেই সদস্যতা কাৰ্ড বিচাৰি লিখিবা। আমি তোমালৈ সদস্যতা কাৰ্ড আৰু উপহাৰটো বিনামূল্যে পঠাম!
আমাৰ ঠিকনাটো :
মেগী ক্লাব,
পোষ্ট বক্স 5788,
নতুন দিল্লী-110055
KING OF THE JUNGLE
TO LET
Archie
আৰ্চী কমিক্‌!
বিনামূল্যে! মেগী 'ৱৰ্ল্ড অৱ এনিমেল্‌ছ' কুইজ পুস্তিকা তুমি গোটোৱা প্ৰতি 3টা উপহাৰৰ বাবে আমি তোমালৈ পঠাম বন্যজন্তুৰ বিষয়ে আমোদজনক আৰু ৰহস্যময় খেল লগা কথাৰে ভৰা মেগী 'ৱৰ্ল্ড অৱ এনিমেল্‌ছ' কুইজ পুস্তিকা – তাকো বিনামূল্যে। প্ৰতিটো খেলতেই বিতং বিৱৰণ পাবা।
MAGGI 2-minute noodles
FAST TO COOK! GOOD TO EAT!
Name:
Membership no.:
আৰু এটা সুযোগ! যদিহে তুমি লজ অৱ দা জাংগল্ গেম লোৱা নাই তেনেহলে এতিয়া গোটোৱা!



চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী. উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপূৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

চান্দমামা

অকট'বাৰ ১৯৯১

এই সংখ্যাত আছে

সত্যৰ সন্ধানলৈ	:	৭	চান্দমামা-ক্রোড়পত্র	:	৩৩
পৃথিৱীৰ খিৰিকীৰে	:	৯	জগতৰ পৌৰাণিক কাহিনী	:	৩৭
ধাৰ বুজি খেও	:	১১	ভেশ	:	৪১
শেষ সুযোগ	:	১৬	বীৰ হনুমান	:	৪৫
অপূর্ব-কাহিনী	:	১৭	শাঁকিণী হ'ল মূৰৰ মণি	:	৫৩
অভিজ্ঞতাৰ দাম	:	২৫	মাছৰ হাঁহি	:	৫৮
পাহৰা ধানৰ ভাত	:	৩২	বিচিত্র প্রকৃতিৰ বৈচিত্র্য	:	৬৩

JUNIOR QUEST
NOW with the added fun of SPUTNIK Junior!
JUNIOR QUEST
where finding out is fun
Selections from Sputnik Junior!.
* Colourfully illustrated stories and cartoons.
* Superb science fiction
* Entertainment and general knowledge
64 packed pages!
At just Rs. 6/-
incorporating
Sputnik Junior
To subscribe write to,
JUNIOR QUEST,
Dolton Agencies,
Chandamama Buildings,
N.S.K. Salai, Vadapalani,
Madras: 600 026.
A Chandamama Vijaya Combines publication

Ekco
মাৰ্কাৰ
"২৪" টাৰ পেকত
নতুন! অনন্য সুন্দৰ! উজ্জ্বল জীৱন্ত ৰঙত!
লাখ লাখ মাৰ্কাৰ চেট ইউ. এচ. এ'লৈ ৰপ্তানি কৰা হৈছে।
"১২" টাৰ পেকতো পোৱা যায়।
Ekco
MARKERS
24 FINE LINE WATER COLOUR MARKERS
colour, draw and write in a rainbow of colours
I ♥ Ekco MARKERS
ল'ৰা ছোৱালীৰ বাবে আদৰ্শ উপহাৰ।
ভাৰতৰ সৰ্ববৃহৎ নিৰ্মাতা আৰু ৰপ্তানিকাৰক।
প্ৰিচিশ্যন ৰাইটিং পইন্ট্চ প্ৰাঃ লিঃ ১২, সুভাষ ৰোড, ভিলে পাৰ্লে (পূঃ), বম্বে ৪০০ ০৫৭।
SureShot/336/Ass.

A CHANDAMAMA PUBLICATION

চান্দমামা

সংস্থাপক : চ ক্র পা ণি   সঞ্চালক : বি. নাগিৰেড্ডি

সত্যৰ সন্ধানলৈ ...

অকট'বাৰ আকৌ আহিল. আৰু আমিও গান্ধীজীৰ জন্মদিন উপলক্ষ্যে তেওঁক আকৌ এবাৰ সুঁৱৰিলোঁ। এটি বিশেষ শব্দ 'সত্যাগ্ৰহ' গান্ধীজীৰ নামৰ সৈতে ওতঃপ্ৰোত জড়িত।

বিংশ শতিকাৰ প্ৰথম দশকত, ভাৰতলৈ প্ৰত্যাৱৰ্তনৰ আগলৈকে মোহনদাস কৰমচান্দ গান্ধী আছিল দক্ষিণ আফ্ৰিকাত কৰ্মৰত ব্যাৰিস্টাৰ। তেতিয়াৰ দিনত দক্ষিণ আফ্ৰিকাত চলি থকা সম্প্ৰদায়গত বিদ্বেষ তথা দুৰন্ত অত্যাচাৰৰ বিৰুদ্ধে তেওঁ সংগ্ৰাম কৰি আছিল। এই সংগ্ৰামক তেও 'সহিষ্ণু প্ৰতিৰোধ' বুলি অভিহিত কৰিছিল।

তাৰ পাছত ভাৰতলৈ প্ৰত্যাৱৰ্তন কৰি তেওঁ বিদেশী-শক্তিৰ নাগপাশৰূপী পৰাধীনতাৰপৰা মুক্তিৰ বাবে সংগ্ৰামৰত ভাৰতীয় জনসাধাৰণৰ নেতৃত্বভাৰ গ্ৰহণ কৰিছিল। স্বাধীনতাৰ বাবে তেওঁৰ এই সংগ্ৰামক গান্ধীজীয়ে 'সত্যাগ্ৰহ' নামেৰে আখ্যাত কৰিছিল।

'সত্যাগ্ৰহ'ৰ আক্ষৰিক অৰ্থ হ'ল সত্যক জনাৰ প্ৰতি আগ্ৰহ। এই আগ্ৰহ হ'ব লাগিব অহিংস। গান্ধীজীয়ে সত্যাগ্ৰহক 'আত্মানুসন্ধান' বুলিও অভিহিত কৰিছিল। 'সত্যাগ্ৰহ'ৰ দুৰন্ত ইচ্ছাশক্তিৰে যিকোনো দুৰূহ কামো অনায়াসে সমাধা কৰিব পাৰি।

দুৰ্ভাগ্যক্ৰমে আমাৰ স্বাধীনতাপ্ৰাপ্তিৰ পাছৰপৰা 'সত্যাগ্ৰহ'ক আমি হিংসাশ্ৰয়ী কৰি তুলিছোঁ। আমাৰ এই আচৰণক মহাত্মাৰ প্ৰতি অৱমাননা বুলিয়েই ক'ব পাৰি। যিকোনো সমস্যাৰ সমাধানৰ বাবে আজিও এই অহিংস 'সত্যাগ্ৰহ' এক অবিসম্বাদিত সত্য।

বছৰ : ১৩   অকট'বাৰ ১৯৯১   সংখ্যা : ৭

খনে : ৪'০০ টকা   ::   বছৰেকীয়া বৰঙণি : ৪৮'০০ টকা

আহা! হা! হা! হা!
ভাৰতৰ স্বাদ - অনুপম
ক্ৰীমেৰে-ভৰপূৰ মুখমধুৰ চকলেট

কেম্পকো ক্ৰীমেভৰা মিল্ক চকলেট। ৰপ্তানিযোগ্য উত্তম গুণমানৰ কোকোৱে প্ৰস্তুত এনে এক আলফুলীয়া সোৱাদ যাক মুখত ল'লেই অন্তৰ উজাৰি গান ওলাব।

TOP QUALITY LOW PRICE

ভাৰতৰ সৰ্ব্ববৃহৎ, সৰ্ব্বাধুনিক প্লাণ্টৰ উপহাৰ

কেম্পকো লিমিটেড, মেঙ্গালোৰ

Campco chocolates | Milk | White | Treat | TURBO | Eclairs | Fun Bite | Mega bite | Playtime | Rubies | TOFFEE | Assorted Gift Box | Campco beverages | WINNER | COCOA

R K SWAMY·BBDO CL 9320AS

ক্যামবোডিয়াত শান্তি-নিজৰা

অৱশেষত ক্যামবোডিয়াত বাৰ বছৰব্যাপী গৃহযুদ্ধৰ অৱসান সূচিত হ'ল। ৰাষ্ট্ৰসংঘৰ শান্তি প্ৰচেষ্টাৰেই এই কাম সম্ভৱ হৈছে। যুদ্ধৰত তিনিও বিপ্লৱী সংগঠনে শান্তিৰ বাবে 'ছুপ্ৰিম নেশ্যনাল কাউন্সিল'ত সন্মিলিত হৈ ক্যামবোডিয়াত শান্তি-স্থাপনৰ বাবে বৰঙণি যোগাইছে।

ক্যাম্পুচিয়া নামেৰে জনাজাত ক্যাম-বোডিয়া দ্বিতীয় বিশ্বযুদ্ধৰ কাললৈকে ফ্ৰেঞ্চ ইণ্ডো-চায়নাৰ অধীনস্থ আছিল। পাছত ১৯৫৩ চনত ফৰাছি কৰ্তৃপক্ষ ক্যামবোডিয়া এৰি গুচি যোৱাত ক্যামবোডিয়াই স্বাধীনতা ঘূৰাই পালে।

কিন্তু আমেৰিকাৰ সমৰ্থনত লন নল ১৯৭০ চনত বিদ্ৰোহী হ'ল আৰু তেতিয়াৰ শাসক প্ৰিন্স শ্বিহানৌক দেশ এৰি পলাল। পাঁচ বছৰৰ অন্তত খেমৰ ৰৌজৰ নেতৃত্বত গেৰিলাযুদ্ধ প্ৰতিহত কৰা হ'ল। কিন্তু দাৰিদ্ৰ্য, ব্যাপক হত্যাকাণ্ডৰ ফলত খেমৰৰৌজ-শাসনৰো অন্ত পৰিল তিনি বছৰৰ ভিতৰত। তেতিয়া ক্যামবোডিয়ালৈ ভিয়েতনামে সৈন্য প্ৰেৰণ কৰি হ্যাং

ছামৃৰিনৰ নেতৃত্বত ক্যামবোডিয়াৰ শাসনৰ সূচনা কৰিলে। কিন্তু পাছত ভিয়েতনামৰ সৈন্য গুচি যোৱাৰ লগে লগেই তাত পুনৰ গৃহযুদ্ধ লাগি পৰিল আৰু কৃষিপ্ৰধান ক্যামবোডিয়া চূড়ান্তত বিপদ পৰিল।

ইন্দোনেজিয়াৰ ৰাজধানী জাকাৰ্তা আৰু থাইল্যাণ্ডত পতা শান্তি-সন্মিলনত ক্যামবোডিয়াৰ গৃহযুদ্ধৰত তিনিও বিপ্লৱী-সংগঠনৰ মাজত বুজা-বুজি হৈছে। প্ৰিন্স শ্বিহানৌক, খেমৰ ৰৌজ আৰু খেমৰ পিপ'লছ লিবাৰেশ্যান ফ্ৰন্টৰ সমৰ্থনকাৰী তিনিও সংগঠনেই ছুপ্ৰিম নেশ্যনাল কাউন্সিলত সন্মিলিত হ'ব। প্ৰিন্স শ্বিহানৌক হ'ব চেয়াৰম্যান আৰু বৰ্তমান প্ৰধানমন্ত্ৰী হুনসেন ডেপুটি চেয়াৰম্যান।

শ্বিহানৌক অহা নভেমবাৰত স্বদেশলৈ উলটিব বুলি ঘোষণা কৰিছে, আৰু ছুপ্ৰিম নেশ্যন্যাল কাউন্সিলৰ অধিবেশন থাইল্যাণ্ডৰ ৰাজধানী ব্যাংককত অগাস্ট মাহত পতা হ'ব বুলি স্থিৰীকৃত হৈছে।

আমাৰ ভাৰতবৰ্ষ আৰু ক্যামবোডিয়াৰ মাজত সুপ্ৰাচীনকালৰেপৰাই নিকটসম্পৰ্ক। বিশ্বৰ আটাইতকৈ বৃহদাকাৰ মন্দিৰ 'আংকোৰভাট' নামৰ মন্দিৰ-নগৰ ক্যাম-বোডিয়াত অৱস্থিত। এই মন্দিৰ দ্বাদশ শতিকাত নিৰ্মিত এই মন্দিৰ-নগৰত হিন্দু মন্দিৰ, বৌদ্ধ মন্দিৰ অন্যান্য মন্দিৰো সন্মিলিত। এই মন্দিৰ এতিয়া জৰাজীৰ্ণ তথা ভগ্নদশাত অৱস্থিত। এসময়ত 'আংকোৰ' আছিল খেমৰ ৰাজ্যৰ ৰাজধানী।

ধাৰ বুজি খেও

ভূষণদেৱৰ জমিদাৰীত চিৰস্তাদাৰ লোৱা হ'ব বুলি শুনি কামটো যেনেতেনে লোৱাৰ বাবে মনস্থ কৰি বীৰেন্দ্ৰ নামৰ যুৱক এজন ভূষণৰ কায চাপিল।

বীৰেন্দ্ৰৰ অহাৰ উদ্দেশ্য জানি ভূষণদেৱে ক'লে, "ঠিক আছে, তুমি মোতকৈ বুদ্ধিমান —এই কথা সাব্যস্ত কৰিব পাৰা যদি মই তোমাক কামত মকৰল কৰিম। এই বাবে তিনিটা কাম কৰিব লাগিব। প্ৰথম কামটো হ'ল — গান্ধী বস্তিৰ পৰমেশ্বৰ নামৰ মানুহ এজনে দুবছৰৰ আগতে মোৰ পৰা দুশ মুদ্ৰা কৰ্জা হিচাপে লৈছিল, কিন্তু সেই মুদ্ৰাখিনি আজিও দিয়া নাই। মই সুত নোলোৱাকৈয়েই মুদ্ৰাখিনি তাক কৰ্জা হিচাপে দিছিলোঁ। এই মুদ্ৰাখিনি যেনেতেনে উচুল কৰিব লাগিব। এই কামটো কৰাৰ অন্ততহে তোমাক দ্বিতীয় কামটো কৰিবলৈ দিম।"

বীৰেন্দ্ৰই জমিদাৰ ভূষণদেৱক ক'লে, "আপুনি অলপ সময়ৰ পাছত পৰমেশ্বৰৰ ঘৰলৈ আহক, আপোনাৰ ধন আদায় কৰি দিম।" তাৰ পাছত বীৰেন্দ্ৰ পোনে পোনেই পৰমেশ্বৰৰ ঘৰলৈ গ'ল আৰু তাক ক'লে, "পৰমেশ্বৰজী, হঠাৎ এটা জৰুৰী কামত দুশ মুদ্ৰাৰ দৰকাৰ হৈছে। লাগিলে — মাহেপ্ৰতি দহ টকাকৈ সুত দিবলৈকো ৰাজী, কিন্তু মুদ্ৰা দুশ মোক এতিয়াই লাগে।"

সুতৰ লোভত পৰি পৰমেশ্বৰে তৎক্ষণাৎ বীৰেন্দ্ৰক মুদ্ৰা দুশ আনি দিলে আৰু ক'লে, "তুমি মুদ্ৰাখিনি গন্তি কৰি থাকা, মই কৰ্জা-খতখন এতিয়াই লিখি আনিছোঁ।"

প্ৰকাশ বৰ্মন



বীৰেন্দ্ৰই মুদ্ৰাখিনি গণ্তি কৰি থাকোঁতেই ভূষণ জমিদাৰ তাত ওলালহি। ভূষণক দেখা পায়েই পৰমেশ্বৰ ভয়তে ভিৰ সামৰা যেন হৈ পৰিল।

বীৰেন্দ্ৰই ভূষণজমিদাৰক ক'লে, "এস্! মই আচল কথাটো পাহৰিয়েই আছোঁ। মই মোৰ নিজৰ লেঠাত ইমানেই অস্থিৰ হৈ পৰিছোঁ যে আপোনাৰ কৰ্জাৰ ধন উচুল কৰাৰ কথাটো সমূলি পাহৰি পেলাইছোঁ।" এই বুলি কোৱাৰ পাছত পৰমেশ্বৰে তাক ধাৰলৈ দিয়া মুদ্ৰা দুশ ভূষণ জমিদাৰৰ হাতত দি ক'লে, "এয়া লওক মালিক, গণ্তি কৰি লওক। ঠিক দুশ মুদ্ৰা আছে।"

ভূষণ জমিদাৰ তধাউৰি খোৱা যেন হ'ল। পৰমেশ্বৰে সেপ ঢুকি ক'লে, "বীৰেন, মুদ্ৰাখিনি মই ভূষণজীৰ ধাৰ মাৰিবলৈহে জমা কৰি থৈছিলোঁ। পিছে তোমাৰ ইমান দৰকাৰৰ কথা শুনিহে তোমাক দিছিলোঁ। এতিয়া কিন্তু তোমাক দিবলৈ মোৰ ওচৰত আৰু মুদ্ৰা নাই।"

বীৰেন্দ্ৰই ক'লে, "নালাগে বাৰু। বেছি সুত দিলে ধন ধাৰলৈ দিয়া লোকৰ অভাব নহ'ব।" এই বুলি কৈ, বীৰেন্দ্ৰয়ো জমিদাৰৰ পিছে পিছে গৈ থাকিল।

তাৰ পাছত ভূষণ জমিদাৰে বীৰেন্দ্ৰক ক'লে, "চোৱাঁ, এইখন গাঁৱতে মোৰ দুটা ঘৰ আছে। এটা ঘৰত—দেখিছাই—আমি থাকোঁ, আনটো ঘৰত সুৰেন নামৰ ভাড়াটীয়া এজন আছে। সুৰেনে ঘৰৰ ভাড়া নিয়মমতেই দি আছে; কিন্তু মই বাৰে বাৰে কোৱা সত্ত্বেও ঘৰটো এৰা নাই। মোৰ জী-জোঁৱাই আহিব, আৰু সেই ঘৰটোতে থাকিব। এই দ্বিতীয় কামটোও সুকলমে কৰি দিয়াচোন।"

বীৰেন সুৰেনৰ ঘৰলৈ গ'ল আৰু সুৰেনৰ সৈতে কথা পাতি এই কথা বুজিলে যে ভূষণ জমিদাৰে এই ঘৰ এৰি দিয়াৰ কথাত কিছু অবাইচ মাত মতাতহে

সুৰেনো অঁকৰা মৈত উঠিছে।

বীৰেন্দ্ৰই সুৰেনৰ সৈতে ভদ্ৰ ব্যৱহাৰ কৰি এক প্ৰকাৰে বন্ধুতা পতাই ল'লে। সুৰেনৰ ল'ৰা-ছোৱালীবিলাকক মিঠাই কিনি আনি খুৱালে। সুৰেনৰ ল'ৰা-ছোৱালীবিলাকে বীৰেন্দ্ৰক 'মামা' বুলি মাতিবলৈ ধৰিলে।

কেইদিনমানৰ পাছত বীৰেন্দ্ৰই সেইখন গাঁৱতে ঘৰ এটা ভাড়ালৈ ল'লে আৰু তাৰ পাছত এদিন ইকথা-সিকথাৰ মাজত সুৰেনক ক'লে, "এই ঘৰটো তোমালোকৰ কাৰণে ভাল নহয়, ঘৰটোত ভূত-প্ৰেত আছে যেন পাইছোঁ। এইখন গাঁৱতে হৰিৰাম মহাজনৰ ঘৰ এটা খালী হৈ পৰি আছে, ব'লা তাত থাকিবাগৈ।"

ঘৰত ভূত-প্ৰেত থকাৰ কথা শুনি সুৰেনৰ ল'ৰা-ছোৱালী আৰু পৰিবাৰৰো গা চিকেহি মাৰি উঠিল। কিন্তু সুৰেনে ক'লে, "তোমাক বোধকৰোঁ ভূষণজমিদাৰে পঠালে। মই এই ঘৰ এৰি নিদিওঁ।"

বীৰেন্দ্ৰই ক'লে, "এৰি দিয়া-নিদিয়া তোমাৰ ইচ্ছা। পিছে—মই তোমালোকৰ ভালৰ কাৰণেই কৈছোঁ।" এই বুলি কৈ আন দিনৰ দৰে সিদিনাও বীৰেন্দ্ৰই সকলোকে মিঠাই খাবলৈ দিলে।

এই মিঠাইখিনিতে কিবা এবিধ ৰাগিয়াল বস্তু মিহলোৱা হৈছিল। মিঠাই খাই সুৰেনৰ পৰিয়ালৰ সকলোটি অচেতন হৈ পৰিল আৰু বীৰেন্দ্ৰই আগতেই বন্দবস্ত কৰি থোৱা মতে গাড়ী এখনত উঠাই হৰিৰামৰপৰা ভাড়ালৈ লোৱা ঘৰলৈ সুৰেন-হঁতক বস্তু-বাহানিৰে সৈতে লৈ গ'ল।

চেতনা ঘূৰাই পোৱাৰ পাছত সুৰেনে বুজি পালে যে এই কাণ্ড বীৰেন্দ্ৰৰ হতুৱাই ভূষণজমিদাৰেই কৰোৱালে। গতিকে—এতিয়া যে আৰু নিৰৰ্থক জঁপিয়াজঁপি কৰি একো লাভ নহ'ব—ভালকৈ বুজিলে।

ঘৰৰ দখল পুনৰ পাই ভূষণ জমিদাৰে বৰ ভাল পালে। তেওঁ বীৰেন্দ্ৰৰ শলাগ লৈ

ক'লেগৈ, "বাইদেও, এই তাবিজটো অতি প্রভাৱশালী তাবিজ। বাহুত ৰঙা সূতাৰে বান্ধি আপুনি যদি এদিন উপজি পুৱাৰপৰা পাছদিনা বোৱাৰীপুৱালৈকে মৌনব্ৰতী হৈ থাকিব পাৰে, আপোনাৰ ধন-সোণ-ঐশ্বৰ্য্য মান-সম্ভ্ৰমো দহোগুণে দহদীহীয়া হ'ব।"

ভূষণজমিদাৰৰ পৰিবাৰে বীৰেন্দ্ৰৰ কথাত কোনো গুৰুত্ব নিদিলে। কিন্তু অলপ পাছত ক'লে, "ঠিক আছে, তবিজ এটা বাহুত বান্ধিলে, বা এদিন-এৰাতিৰ বাবে মৌনব্ৰতী হ'লেই যদি আমাৰ ভাল হয়—হওক তেন্তে।"

ভূষণ পৰিবাৰে এদিন-এৰাতি মৌনব্ৰতী হৈ কটালে। ভূষণ অতিপাত আচৰিত হ'ল। এনেহেন কঠিন কামটো বীৰেন্দ্ৰই যে কেনেকৈ হেলাৰঙে সম্পাদন কৰিলে— ভাবি তেওঁ বীৰেন্দ্ৰৰ সম্পৰ্কে কিছু ভীত হৈ উঠিল।

ভূষণজমিদাৰে বীৰেন্দ্ৰক ক'লে, "তুমি নিজক মোতোকৈ বুধিয়ক বুলি যে ভাবিছা, বুজি পাইছোঁ মই। পিছে কথা এটা মনত ৰাখিবা যে—এইবোৰ কাম মইহে বুদ্ধিমত্তাৰে তোমাৰদ্বাৰা কৰাই লৈছোঁ। ফললাভ নোহোৱাকৈ কোনো প্ৰকৃত বুদ্ধিমানে কোনো কাম নকৰে। কেৱল — তোমাকহে দেখিলোঁ তাৰ

ক'লে, "এতিয়া তোমাৰ আৰু যিটি কাম বাকী থাকিল, সেইটি হ'ল জগতৰ আটাইতকৈ কঠিন কাম। মই ওৰে জীৱন ধৰি চেষ্টা কৰিও এইটি কৰ্ম কৰিব পৰা নাই। কামটি হ'ল—মোৰ পৰিবাৰক মাত্ৰ চৌবিছটি ঘণ্টাৰ বাবে মৌন কৰি ৰখাৰ কাম। তেওঁৰ মুখখন বন্ধ কৰিবৰ মনেৰে মই তেওঁক গহনা, কাপোৰ-কানি আৰু চহৰ-নগৰৰ নানান লোভৰ বস্তুৰ বাবে প্ৰলোভন দি চাইছোঁ —সকলো ব্যৰ্থ। এই কামটি কৰিব পাৰিলেহে মই বুজি পাম তোমাৰ আচল সামৰ্থ্য।"

বীৰেন্দ্ৰই ভূষণজমিদাৰৰ পৰিবাৰক

ব্যতিক্রম। যে কি নহওক—তুমি নিজক মোতকৈ বুদ্ধিমান হিচাপে সাব্যস্ত কৰিব পাৰা নাই, গতিকে—মই তোমাক কামত নলওঁ বুলি জানি থোৱা।"

এই কথাত বীৰেন্দ্ৰ নদমিল। বীৰেন্দ্ৰই ভূষণক ক'লে, "হুজুৰ, আপোনাৰ কথা শতকৰা এশভাগেই সঁচা। কোনো প্ৰকৃত বুদ্ধিমান মানুহে নিজতকৈ বুদ্ধিমান কাৰোবাক কামত নোলোৱাই ভাল। মই যে আপোনাতকৈ বেছি বুদ্ধিমান সেই কথা বুজি পায়েইহে মোক কামত লোৱা নাই আপুনি—যদি এই কথা মানি লয়, মোক আপোনাৰ কাম আৰু নালাগে। সঁচা কথাক লুকাবলৈ পোনে-গুছিয়ে ডুব মৰাৰ আৱশ্যকতা নাই।"

ভূষণে ক'লে, "তোমাৰ কথাটো মই মানি লৈছোঁ। মোতোকৈ বুদ্ধিমান বা টেঙৰক মই যে একোপধ্যেই কামত নলওঁ—মই আগৰেপৰাই স্থিৰ কৰিছিলোঁ।"

তেতিয়া ঘৰৰ ভিতৰৰপৰা ভূষণ জমিদাৰৰ জীয়েক বিনীতা ওলাই আহিল আৰু দেউতাকক ক'লে, "দেউতা, আপুনি আপোনাতকৈ বুদ্ধিমান কাৰোবাক বিচাৰি পালে মোৰে সৈতে তেওঁৰ যোৱা পাতি দিব বুলি কৈছিল। এইবোৰ কামত বীৰেন্দ্ৰই বুদ্ধিমানী কৰি মোৰপৰাও পৰমৰ্শ খুজিছিল আৰু সেইহে মযে়। এইবোৰ কাম কেনেকৈ কৰিব লাগিব কৈ দিছিলোঁ তেওঁক। আৰু আমাৰ দুয়োৰো বিয়াৰ প্ৰস্তাৱো বীৰেন্দ্ৰয়েই বুদ্ধিমানী কৰি মোৰ ওচৰত উত্থাপন কৰিছিল। গতিকে—আপুনি এতিয়া এওঁৰ লগত মোৰ যোৱা পাতিৰ লাগে দেখোন!"

দেউতাকৰ কথাৰ ধাৰ বুজি খেও দি বিনীতাই এই বিয়াত দেউতাকৰপৰা সানন্দ সন্মতি আদায় কৰিছিল আৰু কিছু দিনৰ অন্তত বীৰেন্দ্ৰৰ সৈতে ঘৰ কৰি সুখী জীৱন যাপন কৰিছিল।



শেষ সুযোগ

বহু কালৰ আগৰ কথা। দেৱপ্ৰিয় নামৰ ধৰ্মাচাৰ্য্যই সদায় দেৱভক্তি, অহিংসা, পৰধৰ্মসহিষ্ণুতা, সৰ্বমানৱৰ সাম্যবোধ আদিৰ প্ৰচাৰ কৰিছিল। কিন্তু যশকাম আছিল তেওঁৰ প্ৰতিবাদী। যশকাম আছিল নাস্তিক আৰু নাস্তিকতাৰ সৈতে কিঞ্চিত হিংসাশ্ৰয়ী ধাৰণাৰো প্ৰচাৰ কৰিছিল। এইদৰে দেৱপ্ৰিয় আৰু যশকামৰ মাজত প্ৰচণ্ড বিৰুদ্ধবাদিতাৰ সৃষ্টি হৈছিল।

এবাৰ দেৱপ্ৰিয় গুৰুতৰ অসুস্থ হ'ল আৰু দিনক দিনে মৃত্যুৰ পথলৈ আগুৱাই গৈ থাকিল। মৃত্যুৰ আগে আগে ধৰ্মাচাৰ্য্য দেৱপ্ৰিয়ই যশকামৰ সৈতে সাক্ষাৎ কৰাৰ ইচ্ছা প্ৰকাশ কৰাৰ কথা শুনি যশকাম বিস্মিত হ'ল আৰু অনতিপলমে দেৱপ্ৰিয়ৰ কাষ চাপি সুধিলে, “হে ধৰ্মাচাৰ্য্য, কথা বৰ বিস্ময়জনক যে আন কাৰো সৈতে সাক্ষাৎ কৰাৰ ইচ্ছা যিস্থলত আপোনাৰ নাই, মোৰে সৈতে সাক্ষাৎ কৰাৰ মন গ'ল কিয়—ভাবি পোৱা নাই।”

মৃদুকৈ হাঁহি মাৰি ধৰ্মাচাৰ্য্য দেৱপ্ৰিয়ই ক'লে, “এই পৃথিৱীৰ আন যিকোনো ব্যক্তিক মই মন কৰিলে স্বৰ্গত দেখা পাম, কিন্তু তোমাক তো তাত নাপাম। সেইহে, তোমাক মই মোক শেষ দৰ্শনৰ সুযোগ দিলোঁ।”

—সুজনা গুপ্তা



অপূৰ্ব কাহিনী

৬

[আগৰ কথা ঃ মন্ত্ৰশক্তিৰে এক দুষ্ট তান্ত্ৰিকে ৰাজকুঁৱৰীক অসুস্থ কৰি সেই ৰাজকুঁৱৰীক বিবাহ কৰিবলৈ আৰু লগতে ৰাজ্য গ্ৰাস কৰিবলৈ যি ষড়যন্ত্ৰ পাতিছিল, তান্ত্ৰিকৰে শিষ্য বাটলুগুটীয়া কুম্ভাণ্ডৰ প্ৰতি-ষড়যন্ত্ৰৰ অৰ্থাৎ তান্ত্ৰিকৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰাৰ ফলত আৰু অপূৰ্বৰ অপূৰ্ব সাহসিকতাৰ বলত তান্ত্ৰিকৰ সেই ষড়যন্ত্ৰ সমূলি ব্যৰ্থ হৈছিল। ৰজাই সেই মহাদুষ্ট তান্ত্ৰিকক আৰু লগতে বাটলুগুটীয়াকো পাকড়াও কৰিলে আৰু ৰাজকুঁৱৰীক অসুস্থতাৰপৰা ভাল কৰাৰ উপায় সেই অগ্নিবালক অপূৰ্বৰপৰা ভালকৈ জানি ল'লে। আৰু তাৰ পাছত......]

"সমীৰ !"

শুনাৰ লগে লগেই সমীৰ শোৱাৰপৰা বহি দিলে। এনেখন মাজ নিশা সমীৰে তাৰ সমুখত থিয় হৈ থকা অপূৰ্বক দেখা পায়েই কৰযোৰে নমস্কাৰ কৰিলে।

"তোমাৰপৰা এটা সহায় বিচাৰি আহিছোঁ।" অপূৰ্বই ক'লে।

"আপুনি মাত্ৰ আদেশ দিয়ক। মই আপোনাৰ আদেশ পালন কৰিবলৈ প্ৰাণ বিসৰ্জিবলৈকো প্ৰস্তুত।" সমীৰে ক'লে।

"পাঁচজন সবল ল'ৰাক ৰক্ষা কৰাৰ কাৰণেহে তোমাৰ সহায়তাৰ আৱশ্যক।"

"মই প্ৰস্তুত।" সমীৰে ক'লে।

"এতিয়া তোমাক বিপদৰ কথা বুজাই ক'বলৈ একেবাৰেই সময় নাই। এতিয়া ব'লা, তুৰন্তে ব'লা মোৰ লগত।"



কৈয়েই অপূৰ্বই সমীৰৰ হাতত ধৰি একপ্ৰকাৰে তাক টানি উলিয়াই ক্ষিপ্ৰ গতিৰে কোঠাটোৰপৰা ওলাই গ'ল।

সিহঁত দুয়ো বিজুলী গতিৰে গৈ গৈ চাওঁতে চাওঁতে নৈ আৰু সাগৰৰ সংগমস্থল পালেগৈ। তাত তেতিয়া এখন পালতৰা জাহাজ নঙৰ কৰি থৈ আছিল।

"শুনা, ফুৰিবলৈ ওলাই পাঁচজন ল'ৰা ইয়ালৈ আহিছিল। আহি ইয়াত সেই জাহাজখন থৈ থকা দেখা পাই জাহাজখনৰ ভিতৰফাল চাবলৈকো সিহঁতৰ মনত কৌতূহল হ'ল। সিহঁতৰ মনৰ কথা উমানতে ধৰিব পাৰি এই জাহাজৰ মালিকে ল'ৰা পাঁচোটিক জাহাজ দেখুৱাবৰ ছলেৰে জাহাজৰ ভিতৰলৈ লৈ গ'ল আৰু জাহাজ বিচিত্ৰ বিচিত্ৰ বস্তুবোৰ সিহঁতক এটা এটাকৈ দেখুৱালে। জাহাজ কেনেকৈ চলোৱা হয়, কেনেকৈ নঙৰ পেলোৱা হয়—সকলো কথা দেখুৱাই-বুজাই দিলে। তাৰ পাছত ল'ৰা পাঁচোটি যেতিয়া পুনৰ ঘৰলৈ উভতিবলৈ যো-জা কৰিলে, তেতিয়া জাহাজৰ মালিকে সিহঁতক মিঠা চৰৱৎ এগিলাছকৈ খাবলৈ দিলে। এই চৰৱৎ পি-খোৱাৰ লগে লগেই ল'ৰা পাঁচোটি অচেতন হৈ পৰিল আৰু প্ৰকৃতাৰ্থত ল'ৰাকেইটিক বন্দী কৰা হ'ল। অলপ সময়ৰ পাছত এইখন জাহাজ ইয়াৰপৰা গুচি যাবগৈ আৰু তেতিয়া এই ল'ৰাকেইটিক আৰু সিহঁতক মাতৃ-পিতৃয়ে কদাপি ঘূৰাই নাপাব। কিয়নো—এই ল'ৰাকেইটিক এই জাহাজৰ মালিকে কোনোবা এক দূৰণিবটীয়া আৰু অজান দ্বীপলৈ লৈ যাব আৰু গোলাম হিচাপে বেচি দিব।"

"কেনেকৈনো আপুনি এইবোৰ—ভয়ানক কথা গম পালে?" সমীৰে অতি বিস্মিত হৈ সুধিলে অপূৰ্বক।

"মই আন ক'ৰবালৈ গৈ থাকোঁতে ল'ৰাকেইটিক জাহাজলৈ যোৱা দেখি

সন্দেহপৰায়ণ হৈ জাহাজৰ মালিকৰ পিছ লৈছিলোঁ। মই অদৃশ্য হৈ থাকি জাহাজৰ মালিকে জাহাজৰ অন্য এটা চৰ্দাৰৰ লগত হোৱা মন্ত্ৰণা মই শুনিছিলোঁ।" অপূৰ্বই সমীৰক বুজাই ক'লে।

"আপুনি নিজে গৈছিল কেনেকৈ জাহাজলৈ?" কৌতূহলী সমীৰে পুনৰ অপূৰ্বক সুধিলে।

"এতিয়া যেনেকৈ যাম, তেনেকৈ। যি কি নহওক, মই জাহাজতে লুকাই থাকি তোমাক যেনেকৈ যি কৰিবলৈ ক'ম — কৰিবা। ল'ৰাকেইজনক তুমি ৰক্ষা কৰিবা।" অপূৰ্বই ক'লে।

"কিন্তু—" সমীৰে দ্বিধা-শংকাযুক্তভাবে ক'লে, "আপুনি লুকাই থাকিব, আৰু মই জাহাজৰ মালিকৰ বা অন্যান্যৰ দৃষ্টিত নপৰিম বুলি ভাবিছেনে? সিহঁতক ৰক্ষা কৰা দূৰৰে কথা মোকেই দেখোন জাহাজী বিলাকে বন্দী কৰিব!"

"মনৰপৰা সন্দেহ গুচোৱা। সেই বন্দী বেহুঁচ ল'ৰাহঁতৰ মাজত তুমিও শুই থাকিবাগৈ একেবাৰে বেহুঁচৰ দৰে। ল'ৰাবিলাকৰ সংখ্যাৰ কথাত জাহাজ-মালিকৰ মনত কিছু দ্বিধা-দ্বন্দ্ব নহৈ নাথাকে, হ'ব। সেই কথাত তুমি ভয় নকৰিবা।" অপূৰ্বই ধীৰ কিন্তু স্পষ্ট

মাতেৰে সমীৰক সুধিলে, "এতিয়া তুমি সাগৰযাত্ৰাৰ কাৰণে প্ৰস্তুতনে?"

"প্ৰস্তুত।"

সমীৰে ক'লে।

অপূৰ্বই সাগৰলৈ এপলক স্থিৰ দৃষ্টিৰে চাই থকাৰ পাছত বিচিত্ৰভাবে সুহুৰিয়ালে আৰু চাওঁতে চাওঁতে সাগৰৰ ওখ ওখ ঢৌৰ লগত ৰাক্ষসহেন মস্ত ডাঙৰ ডাঙৰ 'গণ্ডমীন' নামৰ ৰাঘ-বৰালিৰ দৰে কিছুমান প্ৰকাণ্ড প্ৰকাণ্ড মাছ তীৰলৈ ঢপলিয়াই আহিল।

অপূৰ্বৰ ইংগিতত সমীৰ এটা 'গণ্ডমীন' তথা ৰাঘ-বৰালিৰ পিঠিত উঠি বহিল আৰু আন এটা ৰাঘ-বৰালিৰ পিঠিত উঠিল

অপূৰ্ব। তাৰ পাছত তুয়োকো কঢ়িয়াই লৈ ৰাঘ-বৰালিবিলাক সেই পালতৰা জাহাজখন পিনে গৈ থাকিল।

"গণ্ডমীন নামৰ এই ৰাঘ-বৰালি বিলাকক আপুনি কেনেকৈনো ইমান আজ্ঞাধীন কৰিলে?" বিস্মিত সমীৰে সুধিলে অপূৰ্বক।

"মই ইহঁতক আজ্ঞাধীন কৰা নাই। মই সূক্ষ্মাত্মা হৈ এই প্ৰাণীবিলাকৰ আত্মালৈ প্ৰবেশ কৰি এই কাৰ্য্য কৰিবলৈ আদেশ প্ৰদান কৰিছিলোঁ।" অপূৰ্বই নিৰ্লিপ্ত মাতেৰে ক'লে।

"তেনেহ'লে—যিকোনো মানৱকো আপুনি নিশ্চয় এইদৰে আপোনাৰ আজ্ঞাধীন কৰিব পাৰিব?" সমীৰে অপূৰ্বক সুধিলে।

"নহয়, নোৱাৰিম! কিয়নো—মানৱ সাধাৰণতঃ অন্যান্য প্ৰাণীৰ দৰে সৰল প্ৰকৃতিৰ নহয়; যদিও কিছু সংখ্যক মানৱৰ হৃদয়ৱত্তা অতি উচ্চ শ্ৰেণীৰ। তেওঁলোকৰ ক্ষেত্ৰত অৱশ্যেই মোৰ প্ৰচেষ্টা সফল হ'ব।" অপূৰ্বই ক'লে।

চাৰিও দিশত তেতিয়া নিমজ অন্ধকাৰ। এই অন্ধকাৰৰ মাজতে গণ্ডমীনৰ পিঠিৰপৰা অপূৰ্ব আৰু সমীৰ জাহাজৰ ওপৰলৈ উঠি আহিল।

সিহঁত দুয়ো হাতত সাৰে ভৰিত সাৰে গৈ গৈ এটা কক্ষৰ আগত ৰ'ল। সেই কক্ষটোৰ ভিতৰত তৰোৱাল, যাঠি, লাঠি, ডেগাৰ আৰু অন্যান্য বিচিত্ৰ বিচিত্ৰ অস্ত্ৰ শস্ত্ৰ সজোৱা আছিল।

দুখোজমান আগুৱাই অন্য এটা কক্ষত দুটামান মানুহে কথা পাতি থকা শুনি সিহঁত ৰ'ল।

ইটোৱে কৈ আছিল, "জাহাজখন এতিয়াই এৰি দিয়া ভাল হ'ব। ইহঁতকেটাক বিচাৰি ওলাই যদি মানুহে আমাৰ জাহাজ পায়হি, আমাৰ একো লাভ নহ'ব, বৰঞ্চ অনিষ্টহে হ'ব পাৰে।

কিছুমানে সাগৰত সাঁতুৰি হ'লেও আমাৰ জাহাজত উঠিবহি পাৰে।"

সিটোৱে বিচিত্ৰ হাঁহি এচটা বিৰিঙাই ক'লে, "তোমাক কিজানি ভয়ৰ ভূতে বলিয়া কৰি পেলাইছে। ইমান ডৰপুকু এটা হৈ জলদস্যুতা কৰাৰ চখ হৈছিল কিয় তোমাৰ ?"

"যি কি নহওক—এতিয়া আৰু অযথা পলম নকৰি জাহাজখন এৰি দিয়াই ভাল হ'ব। আৰু চাবা—ল'ৰাকেটাই জঁাপ মাৰি পলাবলৈ চেষ্টা নকৰে যেন।"

চৰ্দাৰৰ ঘাই অনুচৰটোৱে তাৰ মূলাহেন দাঁত দুপাৰি উলিয়াই ক'লে, "কৰিলে—জঁাপ মাৰিলে—আৰুনো কি হ'ব ? সিহঁতকেটা তিমিংগিলৰ পেটলৈ গৈ শুই থাকিব, বছ, কথা মাত্ৰ ইমানেই।"

ইতিমধ্যে চৰ্দাৰৰ আদেশত জাহাজৰ নঙৰ উঠোৱা হ'ল আৰু তেতিয়া কক্ষৰপৰা চৰ্দাৰ আৰু তাৰ অনুচৰটো একেলগে ওলাই আহিল।

আৰু লগে লগে অপূৰ্বই সমীৰক ফুচ-ফুচাই ক'লে "সৌৱা—সৌ দেখিছা নহয়—ল'ৰাকেইটা শুই আছে তাত। তুমি সিহঁতৰ মাজত শুই থাকাগৈ যোৱা।"

সমীৰে তৎক্ষণাৎ অপূৰ্বই কোৱা মতে কাম কৰিলে। তাত শুলেগৈ।

"এতিয়া আমাৰ জাহাজ ৰত্নদ্বীপলৈ যাব, নহয় জানো ?" চৰ্দাৰৰ ঘাই অনুচৰ-টোৱে চৰ্দাৰক সুধিলে।

"নহয়, অন্য এক দ্বীপলৈ। তাত বহু ঠাইৰপৰা ক্ৰীতদাস লৈ অহা হয়, দামো ভাল পোৱা যায়। যিমান খুজিবা প্ৰায় সিমানেই।" চৰ্দাৰে ক'লে, "তাত ল'ৰাই প্ৰতি এহেজাৰ মোহৰকৈ নিশ্চয় পোৱা যাব বুলি ভাবোঁ।"

"তাৰ মানে—ছহেজাৰ মোহৰ !" অনুচৰটোৰ চকুযুৰি তিৰবিৰাই উঠিল।

চৰ্দাৰে হৈকি উঠিল, "এহেজাৰকৈ পাঁচটা ল'ৰাত ছহেজাৰ হয়নে কি ?"



"নহয়।" অনুচৰটোৱে ক'লে, "কিন্তু ল'ৰা—আছে ছওটা।"

"বেওকুফ!" চৰ্দাৰে গৰ্জি উঠিল, "ঠিক মতে গন্তি কৰি চাগৈ যা, ছও নহয়—পাঁচ—পাঁচটাহে।"

"নহয়, ছও।"

"কি!" চৰ্দাৰ তিহতিহাই উঠিল, "ছটা? হাওৱাই আন এটাক কঢ়িয়াই লৈ আহিল বুলি ক'ব খুজিছনে কি? মুখৰ ওপৰত কথা নক'বি, মাৰিম মুখত ঘোঁচা, হৈ যাবি ফেঁচা!"

"ঠিক আছে বাচা—তুমি নিজেই গন্তি কৰি চোৱাহিচোন।"

অনুচৰৰ কথাত জলদস্যু—চৰ্দাৰে ল'ৰাবিলাকক গন্তি কৰিলেহি। ঠিকেই কৈছে দেখোন সি, ল'ৰা দেখোন ছ'টাহে! —কথানো কি?

"কোৱা, বেওকুফ কোন? মইনে তুমি?"

এই কথাত লাগিল দন।

চৰ্দাৰে গৰ্জি উঠি ক'লে, "তোৰ মই—জীয়াই জীয়াই ছাল কাঢ়িম হাৰামৰ নেগুৰ! ৰঃ!" এই বুলি কৈ তৰোৱাল উলিয়াই চৰ্দাৰ তুখোজমান আগুৱাই গ'ল।

কিন্তু অনুচৰটোৱে শান্ত কণ্ঠেৰেই ক'লে, "চৰ্দাৰ! তোমাৰ সৌ ভোটা তৰোৱালেৰে ডৰপুকইঁতক ডৰ দেখুৱাবা, মোক নহয়। তৰোৱাল এতিয়াই খাপত ভৰাই থোৱা। নহ'লে—"

"কি! মোৰ তৰোৱাল ভোটা! মই এতিয়াই তোক তুছোৱা কৰি তাৰ পৰ্‌মাণ দিম চাবি।"

এনেকুৱা হৈ-চৈ চিঞৰ-বাখৰ শুনি লগৰীয়া জলদস্যুইঁত লৰৰি আহিল তুটা গোনাম'হৰ যুঁজ চাবলৈ।

কিন্তু তিমানতে ভয়ানক ঘটনা ঘটি গ'ল। অনুচৰটোৱেই তাৰ চৰ্দাৰক একেঘাপে তুছোৱা কৰি পেলালে।

লৰৰি অহা লগৰীয়াবিলাক অৰ্থাৎ জলদস্যুবিলাকে এই দৃশ্য দেখি স্তম্ভিত



হৈ শিলৰ মূৰ্তিৰ দৰে ৰৈ দিলে। কিন্তু হত্যাকাৰীটো আনন্দিত হোৱা যেন দেখা গ'ল। সি হাঁহি হাঁহি অন্যান্য জলদস্যুক ক'লে, "ই—এই চৰ্দাৰটো যে কিমান তীখৰ চিং আছিল, কিমান যে বদমাছ আছিল—তোমালোকে জানাই। ই মোক হত্যা কৰাৰ চেষ্টা কৰাতহে মই তাক হত্যা কৰিবলগীয়া হ'লোঁ। আৰু—যিটোৱে পাঁচ আৰু ছওৰ পাথক্যকো নামানে-নাজানে — সি আমাৰ চৰ্দাৰ হ'বনো কোন গুণে? ইয়াক গুৰিয়াই গুৰিয়াই সাগৰৰ পানীত পেলাই দিয়া।"

কিছুমান অনুচৰে ঘাই অনুচৰটোৰ কথা মতে মৃত চৰ্দাৰৰ বিকৃত দেহটো সাগৰৰ সীমাহীন পানীত পেলাই দিলে।

ইপিনে—হৈ-হাল্লা শুনি সেই বেহুঁচ হৈ থকা ল'ৰাবিলাক হুঁচিয়াৰ হৈ উঠিল। সিহঁতে চেতনা ঘূৰাই পোৱা হ'ল আৰু লগে লগে সমীৰে চেপা কিন্তু স্পষ্ট মাতেৰে কৈ থাকিল, "শুনা, ল'ৰাহঁত! তোমালোকে মোৰ কথা মনপুতি শুনা। তোমালোকক জলদস্যুহঁতে এই জাহাজত বন্দী কৰি থৈছে আৰু এক অজান দ্বীপলৈ লৈ যাব ধৰিছে তোমালোকক গোলাম হিচাপে—ক্ৰীতদাস হিচাপে বেচিবলৈ। গতিকে—এই অৱস্থাৰপৰা উদ্ধাৰৰ বাবে মোৰ কথা আখৰে আখৰে শুনিব আৰু মানিব লাগিব। এতিয়া তোমালোকে আগৰ দৰেই বেহুঁচ হৈ থকাৰ ভাও জুৰি পৰি থাকা। এই জলদস্যুহঁতে যদি আমি সকলো গম পাই যোৱা বুলি বুজি পায়—তেনেহ'লে আমাক কটকটীয়াকৈ বান্ধি এন্ধাৰ কুঠৰীত পেলাই থ'ব, আৰু সেই বিপদৰপৰা মুক্তি লাভ অসম্ভৱ হ'ব।"

সমীৰৰ কথা শুনি সেই ল'ৰাহঁত বিস্ময়ত বোবা হৈ পৰিল আৰু তৎক্ষণাৎ আগৰদৰে বেহুঁচ হোৱাৰ ভাও জুৰি নিঃসাৰে পৰি থাকিল।

অভিজ্ঞতাৰ দাম

তথাপি ৰজা বিক্ৰমাদিত্য নদমিল। তেওঁ পূনৰ সেই গছজোপাৰপৰা মৃতদেহটো নমাই আনি কান্ধত পেলাই লৈ শ্মশানলৈ বুলি গৈ থাকিল। তেতিয়া মৃতদেহৰ মাজত বাহ লোৱা বেতালে বিক্ৰমাদিত্যক ক'লে, "হে ৰাজন্! বিষাক্ত সৰ্পসমাকুল শৃগালৰ ৰম্যভূমি সেই শ্মশানলৈ কিয় যে তুমি গৈ আছা, তুমিহে জানিবা। কিন্তু মহাৰাজ অগ্নি সিদ্ধৰ প্ৰয়াসৰ দৰে তোমাৰ এই প্ৰয়াসো ব্যৰ্থ হোৱাৰ আশংকাই মোৰ মনত মূৰ দাঙিছে। তোমাক সাৱধান কৰিবলৈ মই তোমাক অগ্নি সিদ্ধৰ কাহিনী ক'ম। এই কাহিনীৰে তোমাৰ আন উপকাৰ নহ'লেও তোমাৰ অভিজ্ঞতা নিশ্চয় কিঞ্চিত পূৰঠ হ'ব।" এই বুলি কৈ বেতালে ৰজা বিক্ৰমাদিত্যক অগ্নিসিদ্ধৰ কাহিনী ক'বলৈ ধৰিলে:

'বেতাল-কথা'

উত্থাপন কৰাত ৰজা সোমদত্তই তাৰ উত্তৰত কৈ পঠালে যে ককা-আজোককাৰ আমোলৰপৰা চলি অহা এই শত্রুতা বিস্মৃত হোৱা সম্ভৱ নহয়। আমাৰ এই শত্রুতা অবিনশ্বৰ।

কেই বছৰমানৰ পাছৰ কথা। এদিন বিশালৰাজ সোমদত্ত চিকাৰলৈ ওলাল আৰু সেই অৰণ্যতে অভাৱিত ভাবে তেওঁৰ মৃত্যু হ'ল। তেতিয়া তেওঁৰ পুত্ৰ পুত্ৰ সত্যদীপ ৰজা উঠিল।

সত্যদীপ আছিল শান্তিপ্ৰিয় ৰজা। কিছু কালৰ আগতে মহাৰাজ অগ্নিসিদ্ধই শান্তি-প্ৰস্তাৱৰে সৈতে দূত প্ৰেৰণ কৰাৰ কথা সত্যদীপেও জানিছিল। এইবাৰ ৰজা হৈ সত্যদীপে মহাৰাজ অগ্নিসিদ্ধৰ প্ৰস্তাৱ কাৰ্য্যকৰী কৰি তোলাৰ বাবে গভীৰভাবে চিন্তা কৰি থাকিল।

আৰু এই প্ৰস্তাৱৰ কথা চিন্তা কৰোঁতেই মগাৰাজ অগ্নিসিদ্ধৰ জীয়েক ৰাজকুঁৱৰী স্বয়ংপ্ৰভাৰ কথা সত্যদীপৰ মনত পৰিল।

স্বয়ংপ্ৰভা দেখাত ৰূপৱতী, কামত গুণৱতী। এই শিক্ষিতা সুন্দৰী ৰাজকুঁৱৰীক বিবাহ কৰাই অগ্নিশিখা ৰাজ্যৰ সৈতে, মিত্ৰতাবন্ধন স্থাপন কৰিবলৈ ৰজা সত্যদীপ আন্তৰিক ভাবে প্ৰয়াসী হ'ল।

মহাৰাজ অগ্নিসিদ্ধ আছিল অগ্নিশিখা ৰাজ্যৰ ৰজা। তেওঁ আছিল প্ৰকৃত বীৰ, কিন্তু তেওঁৰ মাজত ৰাজ্যলোভ নাছিল।

বিশালৰাজ্য আছিল অগ্নিশিখা ৰাজ্যৰ চুবুৰীয়া ৰাজ্য। দুৰ্ভগাক্ৰমে, এই দুয়োখন প্ৰতিবেশী ৰাজ্যৰ মাজত আছিল পুৰুষ পৰম্পৰাৰ শত্ৰুতা। এই কাৰণে অগ্নিশিখা ৰাজ্যৰ সুৰক্ষাৰ বাবে বিপুল পৰিমাণৰ ধন নিৰৰ্থক ব্যয়িত হৈছিল।

এবাৰ বহু ধৰণে ভবা-গুণা কৰি মহাৰাজ অগ্নিসিদ্ধই এই আওপুৰণি শত্ৰুতাৰ ওৰ পেলাবৰ প্ৰস্তাৱ দূতৰ যোগেদি বিশাল-ৰাজ সোমদত্তৰ আগত

ভবামতে পত্ৰ লিখি সত্যদীপে মহাৰাজ অগ্নিসিদ্ধিলৈ দূত প্ৰেৰণ কৰিলে। পত্ৰ পাঠ কৰি মহাৰাজ অগ্নিসিদ্ধ অতি আনন্দিত হ'ল আৰু স্বয়ংপ্ৰভাক সত্যদীপৰ সৈতে বিবাহ দিবলৈকো সন্মত হ'ল।

কিন্তু মহাৰাজ অগ্নিসিদ্ধৰ পুত্ৰ সিংহস্কন্ধই এই কথাত বেয়া পালে। শত্ৰুৰ সৈতে মিত্ৰতা তথা আত্মীয়তা অপমানজনক বোধ হ'ল তাৰ। যদিও সিংহস্কন্ধই মুখেৰে দেউতাকক একো নক'লে।

আয়ুৰ লগত বায়ু সহায় হ'ল: ৰাজ-পৰিয়ালৰে কিছুমানে ৰাজকোঁৱৰক উচটাই গাই বোৱাবলৈ কঁকালত টঙালি ৰান্ধি লাগিল। ৰাজকোঁৱৰৰ মনত বিহ পুলি ৰুলে এওঁলোকো শত্ৰুৰ পুতেকৰ সৈতে আত্মীয়-সম্পৰ্ক স্থাপন কৰাৰ মাজত যে কিবা নহয় কিবা গভীৰ ষড়যন্ত্ৰ নিহিত, বৃদ্ধ মহাৰাজৰো যে মতিভ্ৰম হৈছে, অগ্নিশিখা ৰাজ্য যে এই কাৰ্য্যৰ ফলত শত্ৰুৰ কৰতলগত হ'ব--এইবোৰ কথা কৈ কৈ সিংহস্কন্ধৰ কাণ ঘোলা কৰি কৰি মহাৰাজ অগ্নিসিদ্ধৰ বিৰুদ্ধে কাপোৰৰ তলত কিলাকুটি চাঁচিবলৈ ধৰিলে।

তেতিয়া সিংহস্কন্ধই খাটাং সিদ্ধান্ত ল'লে এই বিষয়ে। যুৱৰাজ সিংহস্কন্ধই তেওঁৰ পিতৃ মহাৰাজ অগ্নিসিদ্ধক



কাৰাগাৰলৈ নিক্ষেপ কৰিলে আৰু সিংহাসন অধিকাৰ কৰিলে।

সিংহাসন অধিকাৰ কৰিয়েই সিংহস্কন্ধই বিশালৰাজ্যৰ ৰজা সত্যদীপলৈ দূত যোগে এই পত্ৰ প্ৰেৰণ কৰিলে:

'আমাৰ ভগ্নীক বিবাহ কৰোৱাৰ ষড়যন্ত্ৰ পাতি তুমি আমাৰ ৰাজ্যখনকে হস্তগত কৰাৰ কৌশল অৱলম্বন কৰিছা — এই কাৰণে, এই স্পৰ্ধা তথা দুঃসাহসৰ কাৰণে তোমাক সমুচিত দণ্ড দিয়া হ'ব। যুদ্ধৰ কাৰণে সাজু হোৱাঁ!'

এনেহেন পত্ৰ পাই ৰজা সত্যদীপ অত্যন্ত দুঃখিত হ'ল। তাৰ পাছত সত্যদীপে

এই সিদ্ধান্তে ল'লে যে—যুদ্ধত সিংহস্কন্ধক যেনেকৈয়ে নহওক পৰাজিত কৰি মহাৰাজ অগ্নিসিদ্ধক মুক্ত কৰিব ।

ইতিমধ্যে—অগ্নিশিখা ৰাজ্যৰ প্ৰজাবৰ্গ যুৱৰজা সিংহস্কন্ধৰ এই কাৰ্য্যৰ বিৰুদ্ধে—বিশেষকৈ মহাৰাজ অগ্নিসিদ্ধক বন্দী কৰি কাৰাগাৰত নিক্ষেপ কৰাৰ বিৰুদ্ধে বিদ্ৰোহী হৈ উঠিল । ৰবিচন্দ্ৰ নামৰ যুৱক এজনে এই প্ৰজাবিদ্ৰোহৰ নেতৃত্ব দি থাকিল । সিংহস্কন্ধই ৰবিচন্দ্ৰক বন্দী কৰিবলৈ চেষ্টা কৰি ব্যৰ্থ হ'ল ।

ইপিনে—সত্যদীপে ভাবিলে যে এই প্ৰজাবিদ্ৰোহৰ সময়হে সিংহস্কন্ধক আক্ৰমণ কৰি পৰ্য্যুদস্ত কৰাৰ উপযুক্ত সময় । এই বুলি ভাবি সত্যদীপ সসৈন্যে আগুৱাই যাবলৈ ধৰিলে ।

সিংহস্কন্ধৰ তেতিয়া 'তলে শিল ওপৰে কিল' । সিংহস্কন্ধক উচটাই জোল খোৱা ষড়যন্ত্ৰীবিলাকে সত্যদীপ বিজয়ী হ'লে সত্যদীপৰ সৈতে যোগ দিবলৈ আৰু ইইতৰ মাজৰে এটাই অগ্নিশিখা ৰাজ্যৰ ৰজা উঠিবলৈ নতুনকৈ ষড়যন্ত্ৰ পাতি থাকিল । তেতিয়াহে সিংহস্কন্ধই তেওঁৰ ভুল উপলব্ধি কৰিলে । তেওঁ এই ষড়যন্ত্ৰীবিলাকক বন্দী কৰি কাৰাগাৰলৈ নিক্ষেপ কৰিলে ।

সিংহস্কন্ধ যুদ্ধত জিকিবলৈ নাইবা বীৰৰ মৃত্যু বৰণ কৰিবলৈ সাজু হ'ল । ভয়ংকৰ সুৰহৰিকম্প যুদ্ধ লাগি পৰিল । কিন্তু



চাওঁতে চাওঁতে বৃদ্ধ মহাৰাজক বন্দী কৰাৰ বাবে বিতুষ্ট সিংহস্কন্ধৰ সৈন্যইঁতৰ ভালেমানেই সত্যদীপৰ ফলীয়া হৈ পৰিল। তাৰ ফলত সিংহস্কন্ধক সত্যদীপে সহজেই বন্দী কৰিব পৰা হ'ল।

এইবাৰ সত্যদীপে বৃদ্ধ মহাৰাজ অগ্নিসিদ্ধক মুক্ত কৰিলে। মহাৰাজ অগ্নিসিদ্ধই সত্যদীপক বুকুত আঁকোৱালি লৈ তেওঁৰ হিয়াভৰা কৃতজ্ঞতা প্ৰকাশ কৰিলে।

সত্যদীপে হাঁহি হাঁহি ক'লে, "মহাৰাজ, এইবাৰ মোৰ আগৰ সেই প্ৰস্তাৱ ৰূপায়িত কৰিবনে কি, অনুগ্ৰহ কৰি ভাবি চাব।"

মহাৰাজ অগ্নিসিদ্ধই পাছত তেওঁৰ জীয়েক স্বয়ংপ্ৰভাক এই বিষয়ে সোধাত স্বয়ংপ্ৰভাই কিছুপৰলৈ মৌন হৈ থাকি ঠল-মঠলকৈ ক'লে, "দেউতা, অনুগ্ৰহ কৰি শুনক। মই মোৰ মনৰ কথা খুলিমেলি কওঁ। আপুনি যেতিয়া অহেতুক বন্দী অৱস্থাত কাৰাগাৰত আৱদ্ধ, তেতিয়া ৰবিচন্দ্ৰয়েই নিজৰ জীৱন বিপন্ন কৰিও আপোনাৰ মুক্তিৰ বাবে প্ৰজাবিদ্ৰোহৰ সৃষ্টি কৰিছিল। মই সেইজন ৰবিচন্দ্ৰকে জীৱনলগৰী কৰিম বুলি স্থিৰ কৰিছোঁ। কিন্তু—এই কথা প্ৰকাশ পোৱা মাত্ৰেই সত্যদীপে আপোনাৰ অনিষ্ট কৰিব বুলি মই ভীত হৈছোঁ।"

অগ্নিসিদ্ধই কেইমুহূৰ্তমান ভাবি লৈ ক'লে, "আই, তোমাৰ এই ভীতি পৰিহাৰ



কৰা। তোমাৰ বিবাহ তোমাৰ ইচ্ছাতে সম্পন্ন কৰা হ'ব।"

এই বুলি কোৱাৰ অন্তত মহাৰাজ অগ্নিসিদ্ধ সত্যদীপৰ ওচৰলৈ গ'ল আৰু সকলো বিস্তাৰিত ক'লে।

এই কথা শুনিও সত্যদীপে স্বাভাৱিক নম্রতাৰে ক'লে, "এই কথাত মোৰ বেয়া পাবলগীয়া একো নাই, মহাৰাজ!"

তাৰ পাছত—স্বয়ং সত্যদীপ উপস্থিত থাকি ৰবিচন্দ্ৰৰ সৈতে স্বয়ংপ্রভাৰ বিবাহ-কাৰ্য্য সম্পাদন কৰিলে।

কিছুদিনৰ পাছত মহাৰাজ অগ্নিসিদ্ধই তেওঁৰ পুত্ৰ সিংহস্কন্ধক সিংহাসনত অধিষ্ঠিত কৰি স্বয়ং বাণপ্রস্থ অৱলম্বন কৰি জীৱনৰ অন্তিমকালছোৱা নিৰল-নিৰ্জন বনতে যাপিবলৈ ধৰিলে।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্রমাদিত্যক ক'লে, "হে ৰজা, সত্যদীপ যুদ্ধত বিজয়ী হোৱা সত্ত্বেও কিয় অগ্নিশিখা ৰাজ্যক কৰায়ত্ত নকৰা হ'ল? আৰু—স্বয়ংপ্রভাক স্বয়ং বিবাহ নকৰি ক'ৰবাৰ কোনোবা ৰবিচন্দ্ৰৰ সৈতে বিবাহ পাতি দি কিয় নিৰৱে গুচি গ'ল? মহাৰাজ অগ্নিসিদ্ধৰ এই কাৰ্য্যও অবিবেচিত তথা অকৃতজ্ঞতাৰ চিন নহয়নে বাৰু? আৰু যিজন পুত্ৰই তেওঁক বন্দী কৰি কাৰাৰুদ্ধ কৰিছিল, কিয়নো তাকেই সিংহাসনত পুনৰ অধিষ্ঠিত কৰিলে? আৰু এই যে বাণপ্রস্থ অৱলম্বন কৰা—এয়া কোনো ৰাজনীতিৰ কথা হয়নে বাৰু? মোৰ এই প্রশ্নসমূহৰ সমাধান জানিও যদি সঠিককৈ নিদিয়া—তেনেহ'লে তোমাৰ মূৰৰ ওপৰত এতিয়াও সাত চৰি পানী আছে বুলি ধ্রুৱকৈ জানি থোৱা।"

বেতালৰ প্রশ্নৰ উত্তৰত ৰজা বিক্রমাদিত্যই ক'লে, "মহাৰাজ অগ্নিসিদ্ধ আৰু ৰজা সত্যদীপ—দুয়ো গৰাকীয়েই অত্যন্ত ৰাজনীতিকুশল ৰজা, এই কথাত বিন্দুমাত্র সন্দেহো নাই। বিশালদেশ

আৰু অগ্নিশিখাৰ মাজত থকা সাতাম-পুৰুষীয়া শত্ৰুতাৰ ওৰ পেলাবলৈ মাত্ৰ এটাহে উপায় আছিল বুলি সত্যদীপে ভাবিছিল, সেই উপায়টো হ'ল—স্বয়ং-প্ৰভাক বিবাহবন্ধনত আৱদ্ধ কৰা। কিন্তু সিংহস্কন্ধক পৰাজিত কৰি মহাৰাজ অগ্নিসিদ্ধক মুক্তি দিয়েই সেই উদ্দেশ্য সাধিত হৈছিল। এনে স্থলত, আন কাৰোবাক বিবাহ কৰিবলৈ ইচ্ছুক ৰাজ-কুঁৱৰী স্বয়ংপ্ৰভাক সত্যদীপে জবৰদস্তিৰে বিবাহ কৰোৱা বা বিবাহ কৰাবৰ চেষ্টা কৰাহেঁতেন নিজক তেওঁ এটা অসভ্য-বৰ্বৰ হিচাপে দাঙি ধৰিবলগীয়া হ'ল-হেঁতেন। তাতকৈ—স্বয়ং উপস্থিত থাকি ৰবিচন্দ্ৰৰ সৈতে স্বয়ংপ্ৰভাৰ বিবাহকাৰ্য্য সম্পাদন কৰি দিয়াত তেওঁ নিজক এগৰাকী মহান উদাৰ ৰজা হিচাপে প্ৰতিষ্ঠিত কৰিব পৰা হৈছিল। মহাৰাজ অগ্নিসিদ্ধৰ কথাও একেই। তেৱোঁ যি আচৰণ কৰিলে—এগৰাকী সুদক্ষ ৰাজনীতি-বিদৰ দৰেই কৰিলে। আৰু—সিংহস্কন্ধক ওপৰি ওপৰি যিমান বেয়া বুলি ভবা হৈছে আচলতে তেওঁ সিমান বেয়া, বা মূঠেই বেয়া মানুহ নহয়। সত্যদীপৰ বিৰুদ্ধে যুদ্ধ দিয়াৰ কথাত দোষনীয় একো নাছিল, কিয়নো সিংহস্কন্ধৰ বিশ্বাস অনুযায়ী বৃদ্ধ মহাৰাজ অগ্নিসিদ্ধৰ সন্মতি আছিল ভ্ৰান্ত আৰু ক্ষতিকৰ। এই কাৰণেই সিংহস্কন্ধই বাধ্যত পৰি পিতৃদ্ৰোহ আচৰিছিল। এইবোৰ কথা অভিজ্ঞ দূৰদৰ্শী বৃদ্ধ মহাৰাজ অগ্নিসিদ্ধই সঠিককৈ উপলব্ধি কৰা বাবেইহে পুনৰ সিংহস্কন্ধকে সেই সুশাসিত ৰাজ্যৰ ৰজা পতিছিল। এই-খিনিতেহে অভিজ্ঞতাৰ দাম।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

(শিৱনাগেশৰ ৰচনা অৱলম্বনত)

পাহৰা ধানৰ ভাত

সীতাৰাম আছিল পাহৰা ধানৰ ভাত খোৱাবিধৰ মানুহ। তেওঁ এতিয়াই যি কাম কৰে, পাছ মুহূৰ্ততে পাহৰি যায়। এই কাৰণে সীতাৰামৰ পৰিয়ালৰ সকলটিয়েই জলা-কলা দেখিছিল। সীতাৰামৰ পৰিবাৰে সীতাৰামৰ ছাঁটোৰ দৰে থাকি সকলো কামত সীতাৰামক সহায় কৰিবলগীয়া হৈছিল।

সীতাৰাম প্ৰতিদিন ৰাম-কথা শুনিবলৈ মন্দিৰলৈ গৈছিল। কিন্তু উভতি আহোঁতে জোতা, ছাতি, আনকি নিজৰ লগুণডালো ভুলে-পাহৰণে তাতেই এৰি থৈ আহিছিল আৰু পাছত পৰিবাৰে, বা পৰিয়ালৰে আন কোনোবাই সেইবোৰ বস্তু গোটাই-পিটাই লৈ আহিবলগীয়া হৈছিল।

এই পাহৰণৰ স্বভাৱৰ বাবে এদিন পৰিবাৰৰপৰা খেচা খাই সীতাৰাম ফেঁচামুৱা হ'ল। সীতাৰামে মনতে প্ৰতিজ্ঞা কৰিলে : এতিয়াৰপৰা আৰু একো এৰি থৈ নাহোঁ।

সেইদিনা মন্দিৰৰ পৰা ঘূৰিয়েই সীতাৰামে তেওঁৰ পৰিবাৰক মাতি ক'লে, "চোৱা, মোক তোমালোকে পাহৰা ধানৰ ভাত খোৱা বুলি ইতিকিং কৰা নহয়? আজি মই মন্দিৰত জোতা এৰি থৈ অহা নাই, পিন্ধিয়েই আহিছোঁ।"

সীতাৰামৰ পৰিবাৰে সীতাৰামৰ ভৰিৰ পিনে চাই কৈ উঠিল, "হা ৰাম! হা ঈশ্বৰ! আপুনি দেখোন আজি জোতা নিপিন্ধাকৈয়েই ঘৰৰপৰা ওলাইছিল!"

—জগদীশ



চান্দমামা-ক্রোড়পত্র-৩৪

তেওঁসৱৰ স্বপ্নৰ ভাৰত

'দেশ কেৱল মাটি নহয়'

শ্রী অৰবিন্দৰ জন্ম ১৮৭২ চনৰ ১৫ অগ'স্ট। ডাঙৰ হৈ ইংল্যাণ্ডত উচ্চশিক্ষা গ্ৰহণৰ অন্তত ১৮৯৩ চনত পুনৰ ভাৰতলৈ প্রত্যাৱর্তন। তেতিয়াৰেপৰাই তেওঁ হৈ উঠিছিল পুনর্জীৱিত ভাৰতৰ কণ্ঠ। তেওঁ আছিল ভাৰতৰ পূর্ণ স্বাধীনতাৰ প্ৰথম দাবী জনোৱা প্রথম জাতীয় নেতা। তেওঁ যেতিয়া উপলব্ধি কৰিলে যে ভাৰতৰ স্বাধীনতা আসন্ন, তেতিয়া ১৯১০ চনত পণ্ডিচেৰীলৈ গমন। মানৱজাতিক আধ্যাত্মিকতাৰ দিশত উন্নত কৰিবৰ মনেৰে যোগসাধনাত লীন। তেওঁৰ জন্মদিনতে ১৯৪৭ চনৰ ১৫ অগাস্টত ভাৰতৰ স্বাধীনতা-প্রাপ্তি।

তেওঁ কৈছিল, "ভাৰতমাতা কেৱল ভূগোল হৈ নাথাকে, ভাৰতমাতা হ'ল এক আশ্চর্যজনক শক্তি ·· দিব্যশক্তি ··।" কৈছিল, "ভাৰত কেতিয়াও বিনষ্ট নহ'ব ··ভৱিষ্যৎ মানৱজাতিক উজ্জ্বল কৰি তোলাৰ সমল ভাৰতৰ আছে। ভৱিষ্যতত সমগ্র বিশ্বৰ বাবে এক বিশিষ্ট ধর্ম ভাৰতৰেপৰাই উদ্গত হ'ব। এই ধৰ্ম হ'ব বিজ্ঞান আৰু দর্শনক এক সূত্রে গ্রথিত কৰাৰ ধর্ম। সমগ্র মানৱাত্মাক একাত্ম কৰাৰ ধর্ম।"

শ্রী অৰবিন্দৰ এই বাণী আমি যেন বিস্মৃত নহওঁ।

আমি জানোনে?

১. উত্তৰ-ভাৰতৰ কোনখন ঠাইক 'দেৱতাৰ বাসস্থান' বুলি কোৱা হয়?

২. আজিৰ দিল্লী এসময়ত পাণ্ডৱসকলৰ সময়ৰ 'ইন্দ্ৰপ্ৰস্থ' আছিল বুলি কোৱা হয়। তেতিয়াৰপৰা এতিয়ালৈ দিল্লীৰ সাতটা নামকৰণ হৈছে, কি কি?

৩. এগৰাকী সাধুৰ অস্থি চন্দুকত ভৰাই যোৱা ৩০০ বছৰ ধৰি ভাৰতত ৰখা হৈছে, আৰু বছৰি এবাৰকৈ ৰাইজক দেখুৱাবৰ বাবে ব্যৱস্থা কৰা হৈছে। সেই সাধুৰ নাম কি আৰু ক'ত ৰখা হৈছে?

৪. ভাৰতৰ কোনখন নগৰক 'গোলাপৰ নগৰ' (পিংক ছিটি) বুলি কোৱা হয় আৰু কিয় কোৱা হয়?

[উঃ ৩৬ পৃঃ]

শ্ৰীকৃষ্ণ

শ্ৰীমহাবিষ্ণুৰ সম্পুৰ্ণ অৱতাৰ হ'ল শ্ৰীকৃষ্ণ অৱতাৰ। দৈৱকী আৰু বসুদেৱৰ পুত্ৰ ৰূপে জনমি জন্মক্ষণৰেপৰাই শ্ৰীকৃষ্ণই তেওঁৰ লীলা প্ৰদৰ্শন কৰিছিল। বালক কালত গুৱালৰ ল'ৰাবিলাকৰ লগ লাগি ভ্ৰমণ, পুতনা ৰাক্ষসী বধ, কালীয় দমন, গোৱৰ্ধনগিৰি উত্থিত কৰণ, লোক-কণ্টক কংস-বধ আদি কাৰ্য্যাৱলীৰে গোপ-গোপিনী সকলক আনন্দ প্ৰদান তথা বিস্মিত কৰিছিল শ্ৰীকৃষ্ণই।

দ্বাৰকাধিপতিৰূপে শ্ৰীকৃষ্ণই শ্ৰেষ্ঠ পালনকৰ্তাৰ ভুমিকা গ্ৰহণ কৰিছিল; শ্ৰীকৃষ্ণই ধৰ্মযুদ্ধত পাণ্ডৱৰ ফলীয়া হৈছিল আৰু পাণ্ডৱ সকলক বিজয়ী কৰিছিল।

ভাৰত-যুদ্ধৰ আৰম্ভণীতে বিপদগ্ৰস্ত অৰ্জুনক কৰ্তব্যৰ প্ৰতি জাগ্ৰত কৰাৰ মহান দায়িত্ব পালন কৰাৰ কথা গীতাত বৰ্ণিতা হৈছে। আজিও সেই উপদেশসমূহ 'ভাগৱত গীতা' নামেৰে পুৰুষ-পৰম্পৰাই আধ্যাত্মিক আলোক-বিতৰণ কৰিছে।

শ্ৰীকৃষ্ণ-জয়ন্তী উৎসৱ সমগ্ৰ ভাৰতত অতি সমাৰোহৰে আজিও পালিত হয়।

সম্বাদ-বি-সম্বাদ

ভুতৰ চেক্-অৰ সুত!

প্ৰখ্যাত চিত্ৰশিল্পী পিকাছোৰ এক গুণমুগ্ধ ব্যক্তিয়ে পিকাছোলৈ ১০০ ডলাৰৰ (১৫০০ টকা) ব্যাংক-চেক্ একন পঠিয়াই তেওঁৰপৰা চিত্ৰ এখন পাবলৈ প্ৰাৰ্থনা জনাইছিল। পিকাছোই সেইখন চেক্-অৰ পিছফালে হাঁহি থকা ভূত এটাৰ চিত্ৰ আঁকি, চহী কৰি, সেই চেকখন পঠাওঁতালৈ ঘূৰাই পঠাইছিল। যোৱা ২৪ জুনৰ দিনা লণ্ডনত সেই চেক্-চিত্ৰখন ৩৯৬০ পাউণ্ড মূল্যত (৯০,০০০ টকা) নীলামত বিক্ৰি হ'ল!



মহয়্ প্ৰেমালি—কেৱল ছোৱালী!

চীনদেশৰ ফুজিয়েন প্ৰদেশৰ গৌৰাংগ নামৰ এখন গাঁও আছে। যোৱা ৪০ বছৰত সেই গাঁৱত ১৪০টি শিশু উপজিছে—যি শিশুইতৰ মাজত মাত্ৰ ১২টি হ'ল ল'ৰা, বাদবাকীবোৰৰ আটাইবোৰেই ছোৱালী। ১৯৭৬ চনত সেইখন গাঁৱত যিমান শিশু উপজিছিল, আটাইবোৰেই আছিল ছোৱালী। কথাটো ভাবিবলগীয়া নহয়নে বাৰু? সেই ঠাইৰ আৱহাৱা এই বিস্ময়জনক ঘটনাৰ হেতুনো কি, সেই সম্পৰ্কে বৈজ্ঞানিক অনুসন্ধান কৰা হৈছে।

সাহিত্যৰ ফুলনিত

১. প্ৰখ্যাত লেখক মুলক্ৰাজ আনন্দৰ এখন উপন্যাস ইংল্যাণ্ডৰ একুৰি প্ৰকাশকে প্ৰত্যাখ্যান কৰিছিল। যেতিয়া এগৰাকী ইংৰাজ ব্যক্তিয়ে সেই উপন্যাসখনৰ পাতনি লিখিলে, তেতিয়া সেইখন প্ৰকাশিত হৈছিল। সেই ইংৰাজ ব্যক্তিজন কোন আছিল? উপন্যাসখনৰ নাম কি?

২. আমাৰ ৰাষ্ট্ৰীয় ধ্বনি 'সত্যমেৱ জয়তে' ক'ৰপৰা লোৱা হৈছিল?

৩. নাট্যশাস্ত্ৰ সম্পৰ্কে ভাৰতীয় প্ৰাচীন গ্ৰন্থৰ নাম কি?

৪. 'তাকি-এ-হিন্দ'ৰ ৰচক কোন?

৫. হিন্দী সাহিত্যত আধুনিক নাটকৰ বিষয়ে ভাৰতেন্দু হৰিশ্চন্দ্ৰই লিখা প্ৰসিদ্ধ ৰচনা কি?

উত্তৰ

জানোনে?

১. কুলু। এই অঞ্চলৰ প্ৰতিখন গাঁৱতে দেৱ-দেৱীৰ মূৰ্তি আছে আৰু এই সকলোবোৰ মূৰ্তি দশহৰাত সজাই-পৰাই সমদল উলিওৱা হয়।

২. লালকোট, ছিৰী, তুঘলকাবাদ, জহাঁপনা, ফিৰোজাবাদ, পুৰাণাকিলা, আৰু শ্বাহ জহানাবাদ।

৩. ছেইন্ট ফ্ৰান্সিছ জেভিয়াৰ; গোৱাস্থিত 'ক্যাথিড্ৰাল অভ্ বাম্ জিছাছ'।

৪. ৰাজস্থানৰ 'জয়পুৰ নগৰ'খন। ৰজা জয়সিংহই এই নগৰ নিৰ্মাণ কৰিছিল আৰু গুলপীয়া বৰণৰ পাথৰেৰে এই নগৰৰ অট্টালিকাবোৰ সজাইছিল।

সাহিত্য

১. ই. এম. ফৰ্ষ্টাৰ; 'অনটপবুলছ' (১৯৩০)।

২. মণ্ডুক উপনিষদ। ইয়াৰ অৰ্থ হ'ল 'সত্যমেৱ জয়তে'।

৩. ভৰতমুনিৰদ্বাৰা লিখিত 'নাট্যশাস্ত্ৰ'।

৪. অলবেৰুণি।

৫. 'সত্য হৰিশ্চন্দ্ৰ', 'ভাৰত দুৰ্দশা'।



জগতৰ পৌৰাণিক কাহিনী-(৮)

প্ৰথম কৃষক

টাৰ্টাৰছ নামৰ পাতাল ৰাজ্যৰ ৰজা আছিল প্লুটো। এদিন প্লুটোই প্ৰস্পৰপাইন নামৰ দেৱকন্যা এগৰাকীক দেখি মুগ্ধ হৈ বলেৰে ত্ৰিশূলৰদ্বাৰা ছিয়েন নৈ ফালি পোনেই পাতাললৈ লৈ গ'ল।

প্ৰস্পৰপাইনৰ মাক ছেৰেছে ঘৰত জীয়েকক দেখা নাপাই বৰ চিন্তাত পৰিল। দেৱমাতা ছেৰেছে সম্ভাব্য সকলো ঠাইত জীয়েকক বিচাৰিলে; কিন্তু বিচাৰি উলিয়াব নোৱাৰিলে।

তেতিয়া দেৱমাতা ছেৰেছ এচটা শিলৰ ওপৰত বহি থাকিল। ন-ৰাত ন-দিন এইদৰে তেওঁ বহিয়েই থাকিল। শেষত ছেলেউছ নামৰ এজন দুখীয়া মানুহে আৰু ছেলেউছৰ কণমানি ছোৱালী-জনীয়ে দেৱমাতা ছেৰেছক ক'লেগৈ, "আইদেও, আমাৰ কুটীৰলৈ ব'লক।"

ছেলেউছ আৰু তেওঁৰ কণমানি ছোৱালী-জনীৰ কথাত দেৱমাতা ছেৰেছ ছেলেউছৰ ঘৰলৈ গ'ল। বাটত ছেলেউছে দেৱী ছেৰেছক ক'লে যে তাৰ পুত্ৰ বহু দিনৰ-পৰা অসুস্থ, জীয়াই থকাৰো আশা নাই।

দেৱমাতা ছেৰেছ এগৰাকী অতি সাধাৰণ বৃদ্ধাৰূপে ছেলেউছৰ ঘৰলৈ গ'ল আৰু ছেলেউছৰ অসুস্থ পুত্ৰটিক এটি চুমা যাচিলে। পাছ মুহূৰ্ত্ততে সেই মৃত্যুমুখী ল'ৰাটো শোৱাৰপৰা উঠি বহিল আৰু হাঁহি হাঁহি তাৰ মাক-দেউতাক চালে। এই ঘটনাত ছেলেউছ আৰু ছেলেউছৰ পত্নী অতি আচৰিত হ'ল।

কিন্তু আচৰিত হ'বলৈ আৰু বাকী আছিল। যেতিয়া ৰাতি গভীৰ হ'ল দেৱমাতা ছেৰেছে এই লৰাটোক বিছনাৰ ওপৰত বহুৱাই মন্ত্ৰ মাতি থাকিল। এই দৃশ্য ছেলেউছৰ পত্নীয়ে নিৰৱে-নিমাতে দেখি থাকিল।

দেৱী ছেৰেছে যেতিয়া ল'ৰাটোক ভস্ম শয্যাত বহুৱাই মন্ত্ৰ মাতি থাকিল, ছেলেউছ-পত্নীয়ে আশংকাৰে ভাবিলে ঃ এই বুঢ়ীয়ে মোৰ ল'ৰাটোক কি কৰি আছে ? ছেলেউছ-পত্নীয়ে চিৎকাৰ কৰি উঠিল আৰু তেওঁৰ ল'ৰাটোক ছাইৰ দ'মৰপৰা বিজুলীগতিৰে উঠাই আনিলে।



দেৱী ছেৰেছে শান্ত কণ্ঠেৰে ছেলেউছ-পত্নীক ক'লে, “তুমি আৰু অতি সামান্যমান ধৈৰ্য্য অৱলম্বন কৰাহেঁতেন, তোমাৰ পুত্ৰই অমৰত্ব লাভ কৰিলে-হেঁতেন। কিন্তু তুমি ধৈৰ্য্যহীন হৈ মন্ত্ৰক নিষ্ফল কৰিলা। যি কি নহওক, তোমাৰ পুত্ৰ ডাঙৰ হৈ এগৰাকী প্ৰখ্যাত বীৰ হ'ব আৰু প্ৰজাৰ মংগল সাধিব।”

তাৰপাছত দেৱী ছেৰেছ অন্তৰ্হিতা হ'ল। তেওঁ পুনৰ তেওঁৰ জীয়েক প্ৰস্পাৰপাইনক বিচৰাত লাগিল। প্লুটোই ইতিমধ্যে প্ৰস্পাৰপাইনক বিবাহ কৰাইছিল আৰু পাতালৰাজ্য টাৰ্টাৰাছৰ ৰাণীৰূপে প্ৰতিষ্ঠিত হৈছিল। দেৱী ছেৰেছে এই অনিবাৰ্য্য ঘটনাক তুষ্ট মনেৰে মানি ল'লে।



তাৰ পাছত বহু বছৰ বছৰ পাৰ হ'ল। দেৱী ছেৰেছে সেই দুখীয়া ছেলেউছক তথা তাৰ পুত্ৰটিকো বিস্মৃত নহ'ল। ইতিমধ্যে সেই সৰু লৰাটি এতিয়া যুৱা হৈ উঠিল। তাৰ নাম ট্ৰিপট'লেমাছ। দেৱী ছেৰেছে ট্ৰিপট'লেমাছক নাঙলেৰে খেতি কৰাৰ শিল্প শিকালে। কেনেকৈ হাল বাব লাগে, বীজ বপন কৰিব লাগে, শস্য চপাৰ লাগে—এই সকলো শিকাই জগতৰ প্ৰথম কৃষক কৰি তুলিলে।

দেৱীয়ে তেওঁৰ ড্ৰাগনেৰে কঢ়িউৱা ৰথত উঠাই ট্ৰিপট'লেমাছক পৃথিৱীৰ বিভিন্ন অঞ্চললৈ লৈ গ'ল আৰু সকলোকে কৃষি-শিল্প শিকোৱাৰ কামত নিযুক্ত কৰিলে। এই কাম ট্ৰিপট'লেমাছে দক্ষতাৰে আৰু নিষ্ঠাৰে সম্পন্ন কৰিছিল।





ট্ৰিপট'লেমাছে নিজৰ গাঁৱত দেৱী ছেৰেছৰ এক মনোমুগ্ধকৰ মন্দিৰ সজালে। সময়ৰ লগে লগে এই মন্দিৰ দেৱী ছেৰেছলৈ পূজা-প্ৰাৰ্থনাৰ উল্লেখযোগ্য স্থান হৈ উঠিল। গ্ৰিছদেশৰ জনসাধাৰণে সুদীৰ্ঘকাললৈকে দেৱী ছেৰেছৰ পূজাৰ্চনা কৰিছিল।

ভেশ

বহু বহু কালৰ আগৰ কথা। তেতিয়াৰ দিনত ভদ্ৰাচলৰ গভীৰ অৰণ্যত এগৰাকী মহান যোগীৰ আশ্ৰম আছিল। এই যোগীপুৰুষজনা দিনৰ প্ৰায় সদা-সৰ্বক্ষণেই তপোমগ্ন হৈ থাকিছিল। এওঁৰ আছিল দীঘল ক'লা দাড়ি আৰু বিস্ময়কৰ প্ৰশান্ত দৃষ্টি। এওঁ দেখামাত্ৰেই দেখোঁতাই কৰযোৰে নমস্কাৰ কৰিছিল।

কিন্তু এই যোগীপুৰুষজনা আছিল মৌনব্ৰতী। একেবাৰে মাত-বোল নাই এওঁৰ মুখত। আশ্ৰমৰ ওখ বেদীত এওঁ পদ্মাসনত উপবেশন কৰি থাকিছিল প্ৰায় সদায়েই। দেখাত বোধ হৈছিল যেনিবা এই জগতৰ সৈতে তেওঁৰ কোনো সংশ্ৰৱ নাই, জগতখনৰ কোনো কথাতে ভ্ৰূক্ষেপ নাই। দৰ্শনাৰ্থীসকলে সাধ্যমতে প্ৰণামী হিচাপে ইটো-সিটো দিছিল, তাৰ পাছত আশীৰ্বাদীৰে সৈতে গুচি গৈছিল।

প্ৰকৃতপক্ষে এই ভদ্ৰাচল অৰণ্য আছিল দুৰ্দ্ধৰ্ষ ডকাইবিলাকৰ আশ্ৰয়স্থল। আনকি দিনে-পোহৰেও এই অৰণ্যৰ কাষেদি কোনো নগৈছিল। কিন্তু যোগীপুৰুষজনাই ইয়াতে আশ্ৰম পতাৰ পাছৰপৰা ইয়ালৈ যথেষ্ট জন-সমাগম হৈছিল।

এনিশা জংগলৰ কাষেদি এখন গাড়ীত উঠি তিনিগৰাকী তিৰোতা আৰু দুজন মতা আৰু সৰু ল'ৰা এটি ক'ৰবালৈ গৈ থাকোঁতে হঠাৎ এওঁলোকৰ সমুখত এটা ভয়ানক ডকাইত থিয় হ'লহি। তাৰ মূৰত ক'লা পাগুৰী, চকু দুটা ৰঙা ৰঙা, দীঘল মোচ আৰু হাতত তাৰ লাঠী।

দেখিয়েই গাড়ীৰ আৰোহীহঁতৰ বুকুৰ তেজ গোট মাৰি যাওঁ যাওঁ হ'ল, গা কঁপি থাকিল, মুখৰপৰা ৰাও-শব্দ নোলোৱা হ'ল।

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'



তোমালোকক ফালি-ছিৰি খাব, আৰু সকলো লৈ যাব।”

গাড়ীৰ আৰোহীহঁতে অলপমান আঁতৰত থকা জোপোহাডৰালৈ চালে আৰু জোপোহাৰ আঁৰত ভয়ংকৰদৰ্শন মুণ্ড কেটামান দেখা পাই তিৰোতা তিনিও-জনীয়ে মুহূৰ্ত্ততে তেওঁলোকৰ গাৰপৰা গহনা-পাতি সোলোকাই দিলে।

তেতিয়া ডকাইতটোৱে ক'লে, “আৰু চিন্তা নকৰিবা, এতিয়া তোমালোক সম্পূৰ্ণ নিৰাপদ।” এই বুলি কৈয়েই ডকাইতটো পলকতে অদৃশ্য হ'ল।

ডকাইতটোৱে গাড়ীৰ আৰোহীহঁতক ক'লে, “তোমালোকে মোৰ কথা মন পুতি শুনা। মই এটা ডকাইত হয়, কিন্তু মোৰ এটা নিজস্বতাও নথকা নহয়। অবাবতে মই অত্যাচাৰ কৰাত বা খুন-জখম কৰাত নাই। তোমালোকে যদি স্বইচ্ছাই চুপ-চাপকৈ ধন-সোণ গহনা-পাতি যি আছে দিয়া, বচ, তোমালোকৰ গাত চিকোট এটা মাৰিবলৈকো কোনো নাহে। কিন্তু যদি কিবা বেয়া মতলব পাঙিছা—সৌ জোপোহালৈ চোৱা—তাত মোৰ হহটা লগৰীয়া আছে, সিহঁতক ইচাৰা কৰা মাত্ৰেই সিহঁত বাঘ হৈ জঁপিয়াই পৰি

এই ঘটনাৰ অলপ সময়ৰ পাছত সেই বাটেদিয়েই বেপাৰী এজন গৈ আছিল। যথাৰীতি তেওঁৰ আগতো সেই ডকইতটো ধূমকেতুৰ দৰে উপস্থিত হ'ল আৰু ক'লে, “যি আছে আৰু যিমান আছে দিয়া আৰু মনে মনে গুচি যোৱা।”

বেপাৰীজন আছিল সাহসী-বুদ্ধিমান। তেওঁ এই ডকাইতটোক ক'লে, “মোৰ ওচৰত ধন বুলিবলৈ একো নাই। যিখিনি আছে—সেইখিনিও মোৰ নহয় ভাই।”

কিন্তু ডকাইতটোৱে এই কথালৈ কাণসাৰেই নকৰিলে। সি বীভৎস মূৰ্তি ধৰিলে। তেতিয়া নিৰুপায়ত পৰি বেপাৰীয়ে তেওঁৰ ওচৰত থকা টকা-সিকা

যি আছিল ডকাইতটোক দিলে আৰু চিঞৰি চিঞৰি ক'লে, "জোপোহাৰ আঁৰত থকাইঁত শুনা! মই তোমালোকৰ চৰ্দাৰক এহেজাৰ মোহৰ দিলোঁ। তোমালোকে তোমালোকৰ ভাগ ঠিকঠাক চমজি ল'বা।" এই বুলি কৈয়েই বেপাৰী মানুহজন তাৰপৰা দৌৰি পলাল।



এই অৰণ্যৰ সিমূৰত খাজিখোৰা এখন আছিল। যেতিয়া বেপাৰীজন সেই খাজি-খোৰালৈ গ'ল, তেতিয়া ৰজাৰ চিপাহী আৰু চিপাহীবিলাকৰ অধিনায়কো তাত আছিল। বেপাৰীৰপৰা ডকাইতটোৰ বিবৰণ শুনি অধিনায়কে বেপাৰীক ক'লে, "তুমি আমাক তালৈ লৈ ব'লা, আমি তাক খালৈত ভৰাম চাবা।"

তাৰ পাছত চিপাহী, অধিনায়ক আৰু বেপাৰী গৈ থাকিল। গৈ গৈ চিপাহী-বিলাকক এঠাইত লুকাই থাকিবলৈ কৈ, বেপাৰী আৰু অধিনায়ক আগুৱাই গৈ থাকিল অৰণ্যৰ সোঁমাজলৈ।

"ধন··· আৰু নহ'লে জান্··· সোৰা তালৈ—সৌ জোপোহাৰ আঁৰলৈ চোৱা, তাত মোৰ লগৰীয়াইঁত মোৰ ইচাৰাৰ বাবে ৰৈ আছে ···।" ডকাইতটোৱে বেপাৰী আৰু অধিনায়কক ক'লে।

আৰু এই কথা কোৱাৰ লগে লগেই চিপাহীইঁতৰ সেই অধিনায়কে বাঘৰ দৰে জঁপিয়াই পৰি ডকাইতটোক বন্দী কৰিলে আৰু দীঘলীয়াকৈ সুহুৰি মাৰিলে।

সুহুৰিৰ শব্দ উঠাৰ লগে লগেই চিপাহীইঁত দৌৰি আহিল। অধিনায়কে চিপাহীইঁতক ক'লে, "তোমালোকে সৌ জোপোহাৰ আঁৰত থকা এই ডকাইতটোৰ অনুচৰবিলাকক বান্ধি আনাগৈ।"

চিপাহীইঁত জোপোহাৰ আঁৰলৈ দৌৰি গ'ল; কিন্তু এটা অনুচৰেও লৰ-চৰ নকৰা হ'ল, চিপাহীবিলাকে অনুচৰবিলাকক লাঠীৰে কোবোৱাতো সিহঁতকেইটা অলপো নলৰিল।

তেতিয়াহে আৱিষ্কাৰ কৰা হ'ল—জোপোহাৰ আঁৰত থকা ডকাইতটোৰ অনুচৰবিলাক আচলতে পুতলাহে!

এই ডকাইতটোৰ ধূৰ্ত বুদ্ধিৰ পৰিচয় পাই অধিনায়ক বিস্মিত হ'ল

যোগীপুৰুষজনাৰ আশ্ৰম ওচৰতেই আছিল। আটাইবিলাক তালৈ গ'ল। কিন্তু যোগীপুৰুষজনাক তেতিয়া তাত বিচাৰি পোৱা নগ'ল।

অধিনায়কৰ আদেশক্ৰমে যোগীৰ আশ্ৰমত তন্ন তন্নকৈ বিচাৰি লুট-পাত কৰা ধন-সোণ গহনা-পাতি সকলো পোৱা গ'ল। আশ্ৰমৰ এক এন্ধাৰ চুকত একোচা কিচ কিচকৰে ক'লা দাড়ি ওলমি থকা দেখা গ'ল। এই ঘটনাত সকলোটিয়েই অবাক হৈ পৰিল।

তেতিয়া ডকাইতটোৱে ক'লে, "এই কথাত তোমালোক আচৰিত হৈছা কিয়? এয়া হ'ল মোৰ দিনৰ ভেশ। দিনৰ ভেশ ধৰি ধন-সোণ পাওঁ, ৰাতিৰ ভেশ ধৰি ধন-সোণ লওঁ। পাৰ্থক্য ইমানেই। পোৱা আৰু লোৱা। কিন্তু — এতিয়া মোৰ ভিকাচন ভাগিল ...... ভেশ ধৰি ভণ্ডল কৰাৰ মুদা মৰিল। কোনো ধৰণৰ ছল-ঠগেই দীৰ্ঘকাললৈ নচলে। আইনৰ বাহু বৰ দীঘল—এদিন নহয় এদিন সেই বাহুৱে গবা মাৰি ধৰিবই। কিন্তু কেৱল ময়েই নহয়, এই মনুষ্য-সমাজৰ অধিকভাগেই আচলতে ভেশধাৰী। সেই ভেশ ধৰাৰ শেষ নাই।" এই বুলি কৈ সেই যোগী-পুৰুষৰূপী ডকাইতটোৱে হা হা হো হো কৈ হাঁহি থাকিল।

ৰজাই এই যোগীপুৰুষৰ ভেশধাৰী ডকাইতটোক দণ্ডদান কৰাৰ পৰিবৰ্তে মানৱ-সমাজৰপৰা ছল-ঠগ-প্ৰৱঞ্চনা আদি গুচোৱাৰ আৰু সমাজৰ ভেশধাৰীইতক সাধ্যমতে বিচাৰি উলিওৱাৰ এক অভিনৱ কামত নিযুক্ত কৰিছিল।

১৫

ৰাক্ষসিনীহঁতৰপৰা ঘটনাৰ বিবৰণ শুনি ৰাক্ষসৰাজ ৰাৱণ ক্ৰোধত অগ্নিবৰ্ণ হ'ল। তেওঁ বলবীৰ্য্য থকা সাহসী ৰাক্ষস বীৰ সকলক মতাই অনাই যেনেতেনে এই দুঃসাহসী নগণ্য বানৰক ধৰি আনিবলৈ আজ্ঞা প্ৰদান কৰিলে। ৰাক্ষস বীৰসকল সেই মুহূৰ্ততে দুষ্টৰো দুষ্ট বানৰটোক থাপ মাৰি ধৰি আনিবলৈ ওলাল।

হনুমান তেতিয়া অশোকবনৰ দ্বাৰদেশত দণ্ডায়মান হৈ আছিল। ৰাক্ষস বীৰসকলে হনুমানক তিনিও ফালৰপৰা আগুৰি ধৰিলে। হনুমানে গগনফলা চিংকাৰ কৰি দীঘল নেগুৰেৰে ৰাক্ষসসকলক মাৰি থাকিলে। হনুমানৰ প্ৰচণ্ড চিংকাৰ সমগ্ৰ লংকাবাসীৰ কাণত পৰিল আৰু ৰাক্ষসহঁতৰ বুকুত কঁপনি উঠিল।

হনুমানে কৈ উঠিল, "ৰাম-লক্ষ্মণৰ জয় হওক! ৰামচন্দ্ৰৰ ছত্ৰছায়া প্ৰাপ্ত বানৰৰজা সুগ্ৰীৱৰ জয় হওক! কোশলৰাজ শ্ৰীৰামচন্দ্ৰৰ দাসানুদাস মই। মই শত্ৰু বিনাশী। মই পৱনপুত্ৰ হনুমান! বৃক্ষ-প্ৰস্তৰৰ অস্ত্ৰেৰেই মই সহস্ৰ ৰাৱণৰ বিৰুদ্ধে ৰণ দিব পাৰোঁ। ৰাৱণক ধ্বংস কৰি সীতাদেৱীক প্ৰণাম কৰি শ্ৰীৰামচন্দ্ৰৰ বাবে বাৰ্তা কঢ়িয়াই লৈ যাব পাৰোঁ।"

হনুমানৰ কথা শুনি ৰাক্ষস বীৰসকলৰ বুকুত প্ৰচণ্ড ভীতিৰ সৃষ্টি নোহোৱাকৈ নাথাকিল; কিন্তু মহাৰাজ ৰাৱণৰ আদেশ

'ৰাক্ষস-ৰণত হনুমান'



উলংঘা কৰাৰ সাহসো নহ'ল। ৰাক্ষস বীৰসকলে হনুমানলৈ বিভিন্ন চোকা চোকা অস্ত্ৰ দলিয়াই পঠালে আৰু তাৰ উত্তৰত হনুমানে লৌহ মুদগৰেৰে অসংখ্য বীৰ ৰাক্ষসসৈন্যক বধিলে।

এই বাতৰি পাই ৰাৱণৰজাই ক্ৰোধত অগ্নিসম জ্বলি উঠিল আৰু দুষ্টমতি বানৰটোক তৎক্ষণাৎ ধৰি আনিবলৈ ৰাক্ষসবীৰ প্ৰহস্তৰ পুত্ৰক প্ৰেৰণ কৰিলে।

ইতিমধ্যে হনুমানৰ দৃষ্টি পৰিছিল চৈত্য প্ৰাসাদৰ ওপৰত। হনুমানে এই সুৰম্য চৈত্য প্ৰাসাদ ধ্বংস কৰিবলৈ মন মেলিলে, পাছ মুহূৰ্ততে সিংহনাদ কৰি হনুমান চৈত্য প্ৰাসাদোপৰি জঁপিয়াই পৰিল। চৈত্য প্ৰাসাদৰ ৰক্ষকে হনুমানৰ বিৰুদ্ধে যুঁজিবলৈ আগুৰাই আহিল। হনুমানে প্ৰাসাদৰ স্তম্ভ এটা উৎপাৰি লৈ, শূন্যত আফালি, ৰক্ষকৰে সৈতে এশ ৰাক্ষসক বধিলে।

আৰু ঠিক তেতিয়াই ৰাক্ষসবীৰ প্ৰহস্তৰ পুত্ৰ জম্বুমালীয়ে বাণ-কামান আদি লৈ গাধই টনা ৰথত উঠি, হনুমানৰ বিৰুদ্ধে যুঁজিবলৈ আহিল। জম্বুমালীক দেখা পাই হনুমানৰ যুদ্ধস্পৃহা চাৰিগুণে চৰিল আৰু তেওঁ সিংহনাদ কৰি উঠিল।

চৈত্য প্ৰাসাদৰ সিংহদ্বাৰৰ ওপৰত বহি থকা হনুমানলৈ জম্বুমালীয়ে বাণ এৰিলে। এই বাণ হনুমানৰ হাতত বিদ্ধ হ'ল আৰু ধাৰাসাৰে তেজ ওলাল। তেতিয়া হনুমানে এচটা শিল দাঙি লৈ জম্বুমালীলৈ নিক্ষেপ কৰিলে, কিন্তু জম্বুমালীয়ে সেই বৃহৎ শিলচটাক বাণেৰে ভস্ম কৰি পেলালে। তেতিয়া হনুমানে শাল বৃক্ষ উৎপাৰি আনি জম্বুমালীলৈ নিক্ষেপ কৰাত সেই প্ৰকাণ্ড শালবৃক্ষকো জম্বুমালীয়ে বাণেৰে ভস্ম কৰি পেলালে। এইবাৰ হনুমানে লৌহ মুদগৰেৰে জম্বুমালীক আক্ৰমণ কৰাত অশ্ববাহিত ৰথৰে সৈতে প্ৰহস্তপুত্ৰ বীৰশ্ৰেষ্ঠ জম্বুমালী

অতি নিকৰুণভাৱে নিহত হ'ল।

জম্বুমালীৰো মৃত্যু-সম্বাদ পাই ৰাৱণ কিছু চিন্তিত হ'ল। তেওঁ এইবাৰ বানৰটোক বান্ধি আনিবলৈ সপ্ত মন্ত্ৰীপুত্ৰক সসৈন্যে প্ৰেৰণ কৰিলে।

এই ৰাক্ষস বীৰসকলে অশোকবনৰ দ্বাৰদেশত হনুমানক দেখা পায়েই বাণ নিক্ষেপ কৰি থাকিল। এই ৰাশি ৰাশি বাণ যাতে দেহত বিদ্ধ নহয়, তাৰ বাবে হনুমানে আকাশলৈ উৰা মাৰিলে আৰু আকাশৰেপৰাই উচ্চ সিংহনাদ কৰিবলৈ ধৰিলে। হনুমানে আকাশৰপৰাই ৰাক্ষসইতক হাতেৰে ভৰিৰে আক্ৰমণ কৰি ধৰাশায়ী কৰিলে। যিবিলাক ধৰাশায়ী হোৱাৰপৰা কথমপি সাৰিল, সিবিলাক ৰাক্ষস বিজুলী গতিৰে পলাল।

তাৰ পাছত হনুমান পুনৰ আকাশৰ পৰা নামি আহিল।

এইবাৰ এই বাতৰি পাই ৰাক্ষসৰাজ ৰাৱণৰ মনতো কঁপনি উঠিল। কিন্তু সেই ভীতিভাব প্ৰকাশ নকৰি ৰাৱণে বিৰূপাক্ষ, উপাক্ষ, দুৰ্ধৰ, প্ৰধস আৰু ভাৰকৰ্ণ প্ৰমুখ ৰাক্ষস সেনাপতিক মতাই অনাই ক'লে, "তোমালোকে ৰথত উঠি হস্তীৰ পিঠিত আৰূঢ় হৈ সেই দুষ্টমতি বানৰটোক বান্ধি আনাগৈ। তাৰ আগত তোমালোকে অলপো দুৰ্বলতা প্ৰকাশ নকৰিবা। ই প্ৰকৃততে বানৰ হয়নে নহয় সেই কথাতো

মই সন্দিহান। ই হয়তো কোনোবা এটা মহাবলী ভূত। হয়তো ইন্দ্রই তপোবলেৰে আমাক মাৰিবলৈ এই ভূতটোক সৃষ্টি কৰি পঠাইছে। বালী, সুগ্ৰীৱ, জাম্বৱন্ত, নীল, দ্বিবিদ আদি বানৰবীৰৰ কথা মই জানো। কিন্তু সেইসকলৰ মাজত ইমান বল-বিক্ৰম যে নাই—তাকো উত্তমৰূপেই জানো। যি কি নহওক, তোমালোকে সৰ্বশক্তিৰে এই মহাদুষ্ট বানৰক বন্দী তোমালোকৰ কৰা।"

ৰাজাজ্ঞা অনুসাৰে পঞ্চ সেনাপতিয়ে ৰথ, হস্তী, অশ্ব আদিৰে সৈতে অসংখ্য অস্ত্ৰ-শস্ত্ৰ লৈ হনুমানক দপাটকৈ আক্ৰমণ কৰিবলৈ ঢপলিয়াই গ'ল।

এই বীৰ সেনাপতিসকলে একযোগে হনুমানলৈ বিভিন্ন অস্ত্ৰ নিক্ষেপ কৰিবলৈ ধৰিলে। কিছুমান বাণে হনুমানৰ মস্তকত আঘাত কৰিলেগৈ। আৰু লগে লগে হনুমানে ক্ৰোধত অগ্নিবৰ্ণ হৈ সিংহনাদ কৰি আকাশলৈ উৰা মাৰিলে। তেতিয়া সেনাপতি দুৰ্ধৰে আকাশত বিচৰণ কৰি থকা হনুমানলৈ অজস্ৰ বাণ নিক্ষেপ কৰি হনুমানক ধৰাশায়ী কৰিবলৈ চেষ্টা কৰি থাকিল। চাওঁতে চাওঁতে হনুমানে নিজক পৰ্বতসম উচ্চ দেহধাৰী কৰি তুলিলে আৰু বিজুলীৰ বেগেৰে আকাশৰপৰা ৰথৰ ওপৰলৈ জঁপিয়াই পৰিলে। হনুমানৰ প্ৰচণ্ড বেগ সহিব নোৱাৰি ৰথ অশ্ব হস্তীৰে সৈতে বীৰ সেনাপতিসকলো চিন-মোকাম নোহোৱা হ'ল···।

হনুমান নামৰ বানৰ এটাৰ হাতত বিখ্যাত বিখ্যাত বীৰ ৰাক্ষস সেনাপতি-পঞ্চৰ মৃত্যু-সম্বাদ শ্ৰৱণ কৰি অপৰিমেয় ক্ৰোধত উন্মত্ত হৈ তৎমুহূৰ্তেই নিজ পুত্ৰ অক্ষকুমাৰলৈ ঘূৰি চালে।

যুদ্ধপ্ৰিয় পুত্ৰ অক্ষকুমাৰে পিতৃআজ্ঞা ঊমানতে উপলব্ধি কৰি তৎক্ষণাৎ যুদ্ধলৈ প্ৰস্তুত হ'ল আৰু চাওঁতে চাওঁতে অষ্টঅশ্বই কঢ়িওৱা স্বৰ্ণৰথত উঠি আকাশপথেদি

সেই বলিয়া বানৰ হনুমানক আক্রমণ কৰিবলৈ প্রধাৰিত হ'ল।

অক্ষকুমাৰে হনুমানক দেখামাত্রেই উপলব্ধি কৰিলে যে এই বানৰ সাধাৰণ বানৰমাত্র নহয়, অসাধাৰণ বীৰ বানৰ।

দুয়োৰো মাজত সুৰহৰিকম্প যুদ্ধ চলি থাকিল। ৰাৱণপুত্র অক্ষকুমাৰে বছা বছা অস্ত্র হনুমানৰ বিৰুদ্ধে প্রয়োগ কৰিলে। ফলত হনুমানৰ মনতো যুদ্ধস্পৃহা অদম্য হৈ উঠিল। কিন্তু অন্যান্যতকৈ স্বতন্ত্র ধৰণৰ আৰু প্রকৃততেই বীৰতা থকা অক্ষকুমাৰক কেনেকৈ যে পদৰ্য্যুদস্ত কৰিব পাৰি—সেই কথা ভাবি হনুমান কিঞ্চিত বিভ্রান্তিত পৰিল। অক্ষকুমাৰ—ক'বলৈ গ'লে নিচেই নাবালাক। নাবালকত্বৰ কালতে যদি ইমান বীৰত্ব—কালে-ভবিষ্যতে কি হ'ব সেই কথা চিন্তা কৰিলগীয়া কথা।

এইবোৰ কথা ভাবি ভাবি উৰি উৰি ফুৰি থাকোঁতে অকস্মাৎ বীৰ হনুমানে অক্ষকুমাৰক খাপ মাৰি ধৰি শূন্যত পাক মাৰি মাৰি সবেগে তললৈ আছাৰ মাৰি পেলালে!

অক্ষকুমাৰৰ মৃত্যু-সম্বাদ শ্রৱণ কৰি শোকসন্তপ্ত ৰাৱণ একুৰা প্রকাণ্ড জুইৰ দৰে প্রচণ্ডভাবে জ্বলি উঠিল আৰু পুত্র

ইন্দ্রজিতক ক'লে, "এই বানৰটোৱে এতিয়ালৈকে জম্বুমালী, সপ্ত মন্ত্রীপুত্র, পঞ্চ সেনাপতি আৰু লগতে অসংখ্য ৰাক্ষস সৈন্যকো বধিলে। মোৰ প্রাণাধিক অক্ষও এই বানৰটোৰ হাততে মৰিল। গতিকে—তুমি এই বানৰটোৰ শক্তিৰ উমান লৈ সেই মতে যুদ্ধৰ প্রস্তুতি লৈ তাক বন্দী কৰিবলৈ ওলাবা। তোমাক দেৱতাকুলেও ভয় কৰে, এটা নগণ্য বানৰ তোমাৰ বিক্রমৰ আগত হয়তো তেনেই তুচ্ছ; তথাপি তুমি সাৱধানতাৰে আগ বাঢ়িবা। তুমি তোমাৰ লগত সৈন্য নল'বা, অকলেই যাবা। নিজৰ বল-শক্তিৰ



ওপৰত পৰিপূৰ্ণ বিশ্বাস ৰাখিবা।”

ইন্দ্ৰজিতে পিতৃক প্ৰদক্ষিণ কৰিলে আৰু তাৰ পাছত সাষ্টাংগে প্ৰণাম কৰি যুদ্ধলৈ বুলি ৰাওণা কৰিলে।

ইন্দ্ৰজিতে হনুমানক দেখিয়েই বুজি পালে যে এই বানৰ সাধাৰণ বানৰ নহয়। যি কি নহওক—হনুমানলৈ টোঁৱাই ইন্দ্ৰজিতে চোকা চোকা বাণ নিক্ষেপ কৰি থাকিল। কিন্তু আকাশমাৰ্গত ইলুটি-সিলুটি খাই উৰি-ফুৰি থকা হনুমানৰ গাত কোনো এটা বাণো বিদ্ধ নহ'ল।

এইদৰে হনুমানক কাবু কৰাটো যে অসম্ভৱ—সেই কথাটো গমি অতঃপৰ ইন্দ্ৰজিতে ব্ৰহ্মাস্ত্ৰ প্ৰয়োগ কৰিলে।

আৰু এইবাৰ হনুমান সঁচাসঁচিকৈ কাবু হ'ল। এই অব্যৰ্থ ব্ৰহ্মাস্ত্ৰই হনুমানক বান্ধি পেলাই আকাশৰপৰা সবেগে তললৈ নমাই আনিলে।

হনুমানেও ব্ৰহ্মাস্ত্ৰৰ শক্তিৰ কথা নজনাকৈ নাছিল। কিন্তু তেওঁক যে কোনো অস্ত্ৰয়েই বধিব নোৱাৰিব বুলি ব্ৰহ্মাই বৰ দান কৰিছিল, সেই কথাটোও লগে লগে মনত পৰিল হনুমানৰ। তথাপি, কিছু সময়লৈ ব্ৰহ্মাস্ত্ৰৰ বন্দী হৈ থাকিবলৈকো হনুমানে বেয়া নাপালে। তেওঁ বিশদ ভাবেই জানে যে আৱশ্যক-মতে ব্ৰহ্মা, ইন্দ্ৰ আৰু পৱন-দেৱতায়ো তেওঁক বিপদৰপৰা ৰক্ষা কৰিবহি। আৰু—

আৰু এইদৰে বন্দী হোৱাত হনুমানে ৰাৱণৰ সৈতে প্ৰত্যক্ষ ভাবে মাত-বোল কৰাৰ সুবিধা পাব বুলিও ভাবি আনন্দিত বোধ কৰিলে।

ব্ৰহ্মাস্ত্ৰৰে বন্দী হৈ হনুমান অলৰ-অচৰ হৈ পৰি ৰ'ল। ৰাক্ষসবিলাকে হনুমানক দেহৰ সৰ্বশক্তিৰে কটকটীয়াকৈ বান্ধিলে। কিন্তু তৎমুহূৰ্তেই ব্ৰহ্মাস্ত্ৰই হনুমানক মুক্ত কৰি দিলে। কিয়নো—আন কোনো প্ৰকাৰৰ বন্ধনৰ মাজত ব্ৰহ্মাস্ত্ৰ কাৰ্য্যকৰী হৈ নাথাকে। এই



কথাটো ইন্দ্ৰজিতেও জানিছিল আৰু সেইহে—ব্ৰহ্মাস্ত্ৰৰ বন্দী বানৰটোক ৰাক্ষসবিলাকে বান্ধিবলৈ ধৰা দেখি ইন্দ্ৰজিত বিভ্ৰান্ত হৈ পৰিছিল।

কিন্তু ব্ৰহ্মাস্ত্ৰই যে তেওঁক মুক্ত কৰিলে, সেই কথা হনুমানে বুজি পোৱা নাছিল।

ৰাক্ষসবিলাকে হনুমানক কিল-চৰ-লাথি-ভুকু আৰু লাঠি-যাঠিৰেও কোবাই-খুঁচি খুঁচি টানি-আঁজুৰি ঠেলি ঠেলি ৰাৱণৰজাৰ ওচৰলৈ লৈ যাবলৈ ধৰিলে।

ৰাজ দৰবাৰ পাই ইন্দ্ৰজিতে পিতৃ ৰাক্ষসৰাজ ৰাৱণ আৰু অন্যান্য বয়োজ্যেষ্ঠ পাৰিষদবৰ্গক সম্বোধি ক'লে, "এয়ে হ'ল সেই উদণ্ড বানৰ!"

মত্তহস্তীহেন দেহ সম্পন্ন বানৰটোক সকলোটিয়েই নিৰীক্ষণ কৰি থাকিল। পাৰিষদবৰ্গই পৰস্পৰক সুধি থাকিল, "ই বাৰু কোন? কি কামলৈনো ই লংকালৈ আহিল? ইয়াত তাৰ কাৰ লগত কি সকাম আছে?"

এনেতে ৰাৱণ ৰাজদৰবাৰলৈ আহিল আৰু সোমাই আহিয়েই তেওঁ অৰ্থপূৰ্ণভাৱে তেওঁৰ মন্ত্ৰীসকললৈ চালে।

মহাৰাজ ৰাৱণৰ ইংগিতপূৰ্ণ কথাৰ অৰ্থ ধৰিব পাৰি মন্ত্ৰী এগৰাকীয়ে বন্দী হনুমানক সুধিলে, "তুমি কোন? কোনে তোমাক ইয়ালৈ পঠাইছিল?"

সাগৰ-সংকাশ কণ্ঠেৰে বীৰ হনুমানে ক'লে, "মই বানৰ-ৰজা সুগ্ৰীৱৰ দূত! তেৱেঁই মোক ইয়ালৈ পঠাইছিল।"

তেতিয়া ৰাৱণে প্ৰহস্তক ক'লে, "ই ইয়ালৈ কি উদ্দেশ্যে আহিছে, ইয়াক সোধা। ই কিয় আমাৰ অশোকবন তচোনচো কৰিলে, সেই কথাটোও ইয়াক সোধা। সোধা যে—ই আমাৰ ৰাক্ষসিনী নাৰীসকলক কিয় ভয় দেখুৱাইছে আৰু কিয়বা আমাৰ বীৰ ৰাক্ষসসকলক বধ কৰিছে—সেই কথাও সুধি চোৱা।"



শাঁকিনী হ'ল মূৰৰ মণি

পাৰ্বতী হ'ল কমলপুৰ গাঁৱৰ এগৰাকী ধনী তিৰোতা। পাৰ্বতীৰ চাৰিজন পুতেক। গিৰিয়েকৰ মৃত্যুৰ পাছত পাৰ্বতীয়েই পুতেককেইজনক তুলিতালি ডাঙৰ-দীঘল কৰিলে, ডাঙৰ হোৱাৰ পাছত বিয়া-চাদীও পাতি দিলে।

পাৰ্বতীৰ মনত মলি নাই, কিন্তু অতি চিপিৰা-কটীয়াজনী। ঘৰত টকাৰ দ'ম, কিন্তু হ'লে কি হ'ব—সদায় কৰে একো নথকাৰ ঢং; গতিকে—বিশেষকৈ বোৱাৰী-কেজনীয়ে প্ৰয়েই আধাপেটীয়াকৈহে খাব লাগে। পাৰ্বতীৰ এনে চিকটা চৰিত্ৰত পুতেকহঁত অভ্যস্ত হৈ পৰিছে; কিন্তু বোৱাৰীহঁতহে পৰিল মস্কিলত। গিৰিয়েকৰ ঘৰতো যদি পেট পূৰাই খাবলৈ নাপায়—ক'তেনো মৰিবগৈ? কিন্তু গিৰিয়েকহঁতক কৈয়ো লাভ নাই। এইবোৰলৈ মন-কাণ নকৰে, ঘৈণীয়েকহঁতে মনৰ খং মনতে মাৰ নিযায়। ভাবে: কেতিয়াবা যদি শাহুৱেক ক'ৰবালৈ দুই-চাৰি দিনৰ বাবে যায় তেতিয়া ইটো-সেটো ভাল ভাল বস্তু বনাই দুই হাতে খাব।

এবাৰ তেওঁৰ ভায়েকে পাৰ্বতীক কিবা এটা কামত মাতি লৈ যাবলৈ মানুহ এজনক পঠালে। ভায়েক থাকে চুবুৰীয়া গাঁৱত। পাছ দিনা ভায়েকৰ ঘৰলৈ যাব বুলি কৈ পঠালে।

শুনি বোৱাৰীহঁতৰ গাত বিহু লাগিল। শাহুৱেক যাব, সিহঁতি দুয়ো হাতে খাব। চাৰিও বোৱাৰীয়ে চকুৰে চকুৰে চিলাতকৈ ৰাতৰি পঠালে. আঁৰত ফুচফুচালে।

কিন্তু বুদ্ধিমতী পাৰ্বতীয়ে এইবোৰ

সুবুঙ্গা-নগমাকৈ নাথাকিল, যদিও এঁকো সুবুজাৰ ভাও দিলে। ৰাতিৰ পৰতে পাৰ্বতী যেতিয়া বিছনাত পৰিলগৈ, তেতিয়া চ'ৰিওজনী বোৱাৰীয়ে তুলসীতলত একেলগ হৈ ভেকুৰি তলৰ কথা খুচৰিবলৈ ধৰিলে। স্থিৰ হ'ল যে—যি দুটা দিন শাহুৰেক ঘৰত নাথাকিব; মনে-খোৱা মতে খাব।

বৰ বোৱাৰীয়ে ক'লে যে তেওঁ ঘিউ-মচলাৰে পোলাও খাব, মাজুৱে খাব কাজু, ন-বোৱাৰীয়ে ক্ষীৰৰ মিঠাই আৰু সৰুৱে হালুৱা-পুড়ি।

টোপনিৰ ভাও জুৰি বোৱাৰীয়েক-ইঁতৰ কথখিনি শাহুৰেক পাৰ্বতীয়ে কাণ পাতি যে শুনিলে—সেই কথা বোৱাৰী-ইঁতে গমেই নাপালে।

পাছদিনা উপজিপুৰাতে পাৰ্বতী গৰুৰ গাড়ীত উঠিলগৈ। গাড়ীখন যেতিয়া ৰাওনা হ'ল, তেতিয়া বোৱাৰীকেজনীৰ মনত নধৰ-নপৰ লাগিল।

আৰু— গাড়ীখনো চকুৰ আঁৰ হ'ল, সিহঁতো ৰান্ধনিঘৰলৈ সোমাল। পাঁচ বিধৰ আঞ্জা—যাক বোলে পঞ্চব্যঞ্জন, চাৰিবিধৰ চাটনি ইটো-সিটো-বহুতো কিবাকিবি বনাই গিৰিয়েকহঁতক খুৱাব!

খাই-ভুঁহুৰা নাওপেটা গিৰিয়েকহঁতেও দন টানি খাব বুলি ভাবিবৰ ভাল পালে। কিন্তু এই কথা ভাবি চিন্তাতো অস্থিৰ হ'ল যে— এনেকৈ ভোজ খোৱাৰ কথা যদিহে কেনেবাকৈ মাকৰ কাণতে পৰে — তেনেহ'লে এই মাৰে কি মৰে! ঘৈণীয়েকহঁতে অৱশ্যে আশ্বাস দিলে— কাকপক্ষীয়েও এইবোৰ কথা ঘুণাক্ষৰেও কোনো-কাহানিও নাজানিব।

ভোজৰ ধুম লাগিল। শাহুৰেক তেওঁৰ ভায়েকৰ ঘৰতে থাকিব। গতিকে ওভোতাৰ প্ৰশ্ন নুঠে। গতিকে এতিয়া ভোজৰ ভাতেদি আকাল তৰাৰ যো-জা চলি থাকিল। পোন-পহিলতে মাখন তপতাই ঘিউ তৈয়াৰ কৰাৰ দিহা লোৱা

হ'ল। তাৰ পাছত লুচি-পুড়ি বনোৱাৰ কাৰণে ময়দা সনা হৈ থাকিল। ধমাধম ভোজ খোৱাৰ কাম চলি থাকিল। আৰু ঠিক এনেতে ঘৰৰ দুৱাৰত পল্লয় খটখটনি উঠিল।

বৰ বোৱাৰীয়েই দুৱাৰ খুলিলে। খুলি — কাঠৰ পুতলা যেন হৈ পৰিল বৰ বোৱাৰী। বৰ বোৱাৰীৰ আগত তেতিয়া শাল-চকুৰা শাহুৰেক!

শাহুৰেক পাৰ্বতীৰ হাতত দেখাত প্ৰায় খৰাহিৰ দৰে পাচি এটা। ভাগৰি পৰা পাৰ্বতীয়ে হেঁপাই-ফোপাই ক'লে, "ঔফ্! কী যে গৰম! গৰমৰ চোটত আধা বাটত যাত্ৰা ভংগ কৰি উভতি আহিলোঁ!" এই কথা কৈয়েই তেওঁ ঘৰৰ ভিতৰলৈ গ'ল।

বোৱাৰীয়েকহঁতে শাহুৰেক উভতি অহাৰ উম-ঘাম পায়েই ধাৰৰ নল কঁপা দি কঁপিবলৈ ধৰিলে, পোলাওৰ চাউল, বৰ ভাজি খোৱাৰ বাবে তিয়াই থোৱা মটৰ-মাহখিনি। কাজু-বাদাম, মাখন, পোস্তা আদি বস্তু লুকাই থৈ দিলে বোৱাৰীহঁতে।

"ঘিউৰ গন্ধ—ক'ৰপৰানো ওলাইছে? কি বেনোৱা হৈছেনো?" শাহুৰেকে কেঁৰাকৈ চাই চাই বোৱাৰীহঁতক সুধিলে।

"একো নহয় মা, একো নহয়। ঘিউ নাই বুলিহে মাখন তপতোৱা হৈছে।" বোৱাৰীহঁতে ক'লে।

"অ'! ঘিউৰ কথাত কথা এটা মনত



পৰিল মোৰ। মোৰ যাত্ৰাকালত এক আচৰিত ঘটনা ঘটিল।" শাহুৱেকে ক'লে, "মই গাড়ীত উঠি গৈ থাকিলোঁ। গাড়ীখন যেতিয়া জংগলৰ কাষেদি গৈ থাকিল, চকাত কাঁইটে বিন্ধিলে। গাৰোৱানে সেই কাঁইটটো উলিয়াবলৈ চেষ্টা কৰি থাকোঁতে মই বাটৰ দাঁতি-কাষৰীয়া চালি এখনৰ তলত জিৰাবৰ মনেৰে বহিবলৈ ধৰোঁতেই হঠাৎ নাকত ঘিউৰ গোন্ধ পালোঁ।" ইমানলৈকে কোৱাৰ অন্তত পাৰ্বতী ৰ'ল।

তাৰ পাছত পুনৰ কৈ থাকিল, "কথা নো কি—তাৰ ভু ল'ব লৈ মই সেই ফাললৈ খোজ ল'লোঁ। অলপমান গৈয়েই মই মস্ত মস্ত কণীৰ দৰে প্ৰকাণ্ড প্ৰকাণ্ড ক্ষীৰৰ মিঠাই এঠাইত দ'ম খাই থকা দেখা পালোঁ। দেখি—মই ভেবা-চেকা!" বছ, ইমানলৈকে কৈয়েই পাৰ্বতী পুনৰ ৰ'ল।

"তা' পাছত?" ন-বোৱাৰীয়ে নিজৰ টিপটিপনি লুকুৱাবলৈ মৰ-সাহস কৰি সুধিলে শাহুৱেকক।

"উ—তাৰ পাছত—হঠাৎ তাত কিচ কিচ কৰে ক'লা শাঁকিনী এজনী ক'ৰবাৰপৰা ওলাই আহিল:ফেঁট মেলি। এই শাঁকিনীজনীৰ ফেঁট কেনেকুৱা কওঁ—। এই ফেঁট দেখাত সাইলাখ পুড়িৰ দৰে।"

এইবাৰ সক বোৱাৰীৰ বুকুতো ধান বনাদি বানিবলৈ ধৰিলে। তাই সেপ ঢুকি থতমত খাই ভয়তে সুধিলে, "পাছত?"

"ক'ম, ক'ম। ৰ'—বা।" পাৰ্বতীয়ে এখন্তেক ৰৈ থিৰে-জুৰে কৈ থাকিল, "এই দীঘল ফেঁট মেলা সাপ দেখি ভয়তে মোৰ তেজ গোট মাৰোঁ মাৰোঁ। মই দৌৰি পলাবৈ চিন্তিলোঁ। ঠিক তেতিয়াই—হঠাৎ যেনিবা পাতাল ফালি তাত সাধুবাবা এজন আহিল। সাধুবাবাৰ হাতত আছিল কলপাতেৰে মেৰিউৱা এটা ডাঙৰ টোপোলা। সাধুবাবাই মোলৈ চাই হাঁহিলে আৰু ক'লে, 'এই শাঁকিনী হ'ল দেৱী সাপিনী। এই সাপিনীৰ গাৰপৰাই ঘিউ

ঘিউ ।ন্ধাইছে। আৰু এই সৰ্পিনীৰ ফণা ঠিক হালুৱা-পুড়িৰ নিচিনা, এই সাপৰ ফণী দেখাত ক্ষীৰৰ মিঠাইৰ দৰে হয়।' বুলি কৈয়েই সাধুবাবাই তেওঁৰ হাতত থকা টোপোলাটো খুলি সেই শাঁকিনীজনীৰ আগত থৈ দিলে টোপোলাটোত আছিল ক'ব পাৰিবানে? এই টোপোলাটোত আছিল কাজু-বাদামৰ তপতে-তপত মিঠাই।" পাৰ্বতী পুনৰ ৰ'ল!

"কাজু-বাদামৰ মিঠাই।" মাজু বোৱাৰীয়ে কঁপা কঁপা মাতেৰে সুধিলে।

আৰু তেতিয়াহে বোৱাৰীহঁতে বুজি পালে যে সিহঁতৰ সেই ভেকুৰি তলৰ কথাৰ তলা-নলা শাহুৱেকে কেনেবাকৈ পূৰা-পাক্কাকৈ জানিলে।

"ওঁ কাজু-মিঠাই। সেই দেৱী সৰ্পিনীয়ে যেতিয়া সেই মিঠাই শুঙিব, সাধুবাবাই প্ৰসাদ হিচাপে লৈ যাব।" পাৰ্বতীয়ে বোৱাৰীহঁতক বুজাই ক'লে।

হঠাৎ বোৱাৰী চাৰিওজনীয়েই শাহুৱেকৰ ভৰিৰ ওচৰত ধুপুচকৈ বহি পৰিল আৰু ফোঁপাই ফোঁপাই কৈ থাকিল, "আমাক খেমক, মা, আমাক দয়া কৰি খেমক।"

শাহুৱেক পাৰ্বতীয়ে সিহঁতৰ মূৰত হাত ফুৰাই মৰমসনা মাতেৰে ক'লে, "হ'ব—হ'ব। এই পাচিটোৰ ভিতৰত কি আছে চোৱাচোন!"

চাৰিওজনী বোৱাৰীয়ে মিলি পাচিটো খুলি অবাক হৈ পৰিল। পাচিটোৰ ভিতৰত ঘিউৰে ভজা দাইলৰ বড়, পোলাও, কাজু মিঠাই, ক্ষীৰৰ সন্দেশ, আৰু হালুৱা-পুড়ি আদি সজাই থোৱা আছে!

এই ঘটনাৰ পাছৰপৰা বোৱাৰীয়েক-হঁতে এসময়ত শাঁকিনী বুলি ভবা আজিৰ এনে মৰমিয়াল শাহুৱেকক তেওঁৰ জীৱনৰ বাকীছোৱা কাল মূৰৰ মণি কৰি ৰাখিছিল।



মাছৰ হাঁহি

আগৰ কথা বাঘৰ গাত, সকলোতে জনাজাত। তেতিয়াৰকালৰ কাশ্মীৰত এদিন এজনী মাছঁতীয়ে মাছ বেচিবলৈ ৰাজমহল পালেগৈ। ৰাণীয়ে মাছ খাই বৰ ভাল পায়। ইমাছ খায় সিমাছ খায় বৰ মাছ খায় সৰু মাছ খায়। খলিহনা-ডঁৰিকণাও খায় — মুঠতে মাছৰ কথা শুনিলেই ৰাণীৰ জিভা ৰসাল হয়। মাছঁতীয়ে মাছৰ পাচি নমালে, ৰাণীয়ে খুলি চালে, আৰু এটা মাছে জঁপিয়া-জঁপি লগাই দিলে।

"মোক কেৱল মাইকী মাছহে লাগে। এই মাছ মতা মাছ যেন লাগিছে।" ৰাণীয়ে মাছঁতীক ক'লে।

ৰাণীয়ে এই কথা কোৱাৰ লগে লগে জঁপিয়া-জঁপি কৰি থকা মাছটোৱে হাঁহি উঠিল। ৰাণীৰ উঠিল খং, আৰু খঙতে উচাট মাৰি উঠি গুচি গ'ল।

ৰাণীৰ খং উঠা বুলি শুনি মহাৰাজ লৰৰি আহিল। আহি—শুনি—মহামন্ত্ৰীক তুৰন্তে মতাই আনাই সকলো বিবৰি কোৱাৰ অন্তত ক'লে, "নগণ্য এটা মাছৰ ইমান সাহস হ'লনে আমাৰ ৰাজ্যত? ৰাণীৰ কথাত হাঁহি! মই তোমাক ঠিক ত্ৰিছ দিনৰ সময় দিলোঁ, এই সময়ৰ ভিতৰত যদি মাছৰ হাঁহিৰ কাৰণ ক'ব নোৱাৰা, তোমাৰ মুণ্ড উৰাই দিম।"

মহামন্ত্ৰীৰ মূৰত আকাশী সৰগ ভাগি পৰিল। মাছে হাঁহিব—তেওঁহেনে ক'ব লাগিব? কিমতে কি ক'ব তেওঁ? মাছৰ হাঁহি মাছেহে বুজিব। তেওঁ ক'ব লাগিব তাৰ কাৰণ? কেনেকৈনো ক'ব তেওঁ?

'কাশ্মীৰৰ লোক-কথা'

প্ৰাজ্ঞ পণ্ডিত, জ্যোতিষী, যোগী, তান্ত্ৰিক আদি কৰি সকলোকে সুধি চালে মাছৰ হাঁহনৰ কাৰণ। কিন্তু এনে এক অদ্ভুত প্ৰশ্নৰ উত্তৰ কোনেও দিব নোৱাৰিলে। মহামন্ত্ৰী পৰিল অঠাই সাগৰত। তেওঁৰ মুণ্ডটো এতিয়াৰেপৰাই নথকা যেন লাগিল।

মহামন্ত্ৰীৰ পুত্ৰ অভিনন্দন উত্তৰ বিচাৰি ওলাল। দেউতাকৰ অৱস্থা দেখি চিন্তিত হ'ল। অভিনন্দনে বাটত এজন বুঢ়া কৃষকক লগ পালে আৰু তেতিয়াৰপৰা দুয়ো একেলগ গৈ থাকিল।

এইদৰে কিছু দূৰলৈ যোৱাৰ অন্তত মন্ত্ৰীপুত্ৰই বুঢ়া কৃষকজনক ক'লে, "আমি এইদৰে গৈ থকাৰ সলনি দুয়ো দুয়োৰো কান্ধত উঠি গৈ থকাহেঁতেন দুয়োৰো পথশ্ৰম কিছু লাঘৱ হ'লহেঁতেন।"

কৃষকে এই কথাৰ কোনো উত্তৰ নিদিলে। ভাবিলেঃ ল'ৰাটোৰ মূৰৰ কিবা-কিবা বিকিতি থাকিব পায়।

আৰু কিছু দূৰলৈ যোৱাৰ অন্তত মন্ত্ৰীপুত্ৰই খেতি পথাৰৰ শস্যলৈ চাই কৈ উঠিল, "এইবোৰ এতিয়ালৈকো কিয় খোৱা নহ'ল?"

কৃষকজনে এইবাৰো কোনো উত্তৰ নিদিলে। ল'ৰাটো যে চঁড়-বলিয়া—এই কথাত একেবাৰে নিঃসন্দেহ হ'ল।

গৈ গৈ এডৰা হাবি পাই মন্ত্ৰীপুত্ৰই এডাল লোহাৰ মাৰি উলিয়াই ক'লে, "এই মাৰিডাল লৈ কোনোবাই দুটা ঘোঁৰা নিদিবনে? এয়া লওক। কিন্তু এই মাৰিডাল নেহেৰায় যেন চাব, এইডাল অত্যন্ত মূল্যৱান।"

এইবাৰ বৃদ্ধ কৃষকৰ মনত আৰু কোনো সন্দেহ নথাকিল যে ই ধুম বলিয়া, যাক বোলে পাগল। কৃষকজনে মন্ত্ৰীপুত্ৰক এইবাৰো একো উত্তৰ নিদিয়া হ'ল।

হাবি পাৰ হৈ অহাৰ পাছত কিছুদূৰলৈ গৈ সিহঁতে নগৰত ভৰি দিলে। নগৰৰ কোনো এজনেও কৃষকৰ সৈতে, বা

মন্ত্ৰীপুত্ৰৰ সৈতেও কোনো মাত-বোল নকৰিলে। মন্ত্ৰীপুত্ৰই নগৰখনৰ চাৰিওফালে চাই কৈ উঠিল, "বঢ়িয়া! কিমান ডাঙৰ মৰিশালিখন!"

এইবাৰ কৃষকজনে হাঁহি উঠিল।

তাৰ পাছত—এই নগৰৰ সিমূৰলৈ দুয়ো গৈ গৈ দুয়ো প্ৰকৃততেই মৰিশালি এখন পালেগৈ। তেতিয়া তাত দহাকাৰ্য্য চলি আছিল। মৃতকৰ আত্মীয়-স্বজন সকলে কৃষকক আৰু মন্ত্ৰীপুত্ৰকো কিবাকিবি খাবলৈ দিলে।

মন্ত্ৰীপুত্ৰেই কৈ উঠিল' "বাঃ! কিমান সুসভ্য মগৰখন!"

বৃদ্ধ কৃষক মনে মনে থাকিল। এই বলিয়া ল'ৰাটোৰ এনেবোৰ কথা শুনি শুনি অভ্যস্ত হৈছে তেওঁ। দুয়ো পুনৰ গৈ থাকিল, গৈ গৈ এঠাইত নিজৰা এটা পালেগৈ। কৃষক বুঢ়াই জোতা হাতত লৈ, চুৰিয়া আঁঠুৰ ওপৰলৈকে উঠাই নিজৰাৰ পানীৰ মাজেদি পাৰ হৈ গ'ল। কিন্তু মন্ত্ৰীপুত্ৰই জোতা পিন্ধা অৱস্থাতে পাৰ হ'ল।

তাৰ পাছত বৃদ্ধ কৃষকে নিজৰ গাঁও পালেগৈ। ল'ৰাটো কিছু বলিয়া হয়, কিন্তু তেও বেয়া নহয়—এই কথা ভাবি বুঢ়াই মন্ত্ৰীপুত্ৰক নিজৰ ঘৰলৈ লৈ যোৱাৰ কথা কোৱাত মন্ত্ৰীপুত্ৰই ক'লে, "আপোনালোকৰ ঘৰলৈ কিয় নাযাম, নিশ্চয় যাম। পিছে আপোনালোকৰ ঘৰৰ অৱস্থা কেনেকুৱা এতিয়া—সেই কথা আগতীয়াকৈ জানি আহি মোক লৈ যোৱা ভাল হ'ব বুলি ভাবোঁ।"

এই ধুম বলিয়াটোৰ লগত তৰ্কাতৰ্কি একো নকৰিলেও হ'ব—এই বুলি ভাবি বুঢ়া অকলেই ঘৰলৈ গ'ল আৰু কথাখিনি পৰিবাৰ আৰু জীয়েকৰ আগত ক'লে।

কৃষক বুঢ়াৰ জীয়েক আছিল যথেষ্ট বুদ্ধিমতী। শুনি তাই ক'লে ঃ

"দেউতা, আপুনি যিজনৰ কথা ক'লে, তেওঁ কিন্তু একেবাৰেই বলিয়া নহয়, প্ৰখৰ

বুদ্ধিমান। আপুনি বুজিব পৰা নাই; কিন্তু তেওঁ সকলো কথা সঠিকভাবেই কৈছে। দুয়ো দুয়োৰো কান্ধত উঠি গৈ থকাৰ অৰ্থ হ'ল— মাত-বোল নকৰাকৈ মনে মনে যোৱাৰ পৰিবৰ্তে পৰস্পৰে কথা পাতি পাতি নানান ধৰণৰ গল্প-কাহিনী কৈ কৈ বাট বুলি বুলি যোৱাৰ কথাকে কৈছিল তেওঁ। খেতি-পথাৰৰ শস্য খোৱাৰ কথাৰ অৰ্থ হ'ল খেতি কৰাৰ কৰাৰ কাৰণে ধন ধাৰলৈ দিয়া সুতখোৰ মহাজনইঁতে কিয় এতিয়ালৈকো খেতি-পথাৰৰ শস্য কাটি লৈ যোৱা নাই—সেই কথা সুধিছিল তেওঁ। কিয়নো এই কাম ধনৰ মহাজনইঁতে সদায় কৰি আহিছে। নগৰীয়া লোকৰ আচৰিত ধৰণৰ নিৰ্লিপ্ততা তথা উদাসীন মনোভাৱৰ নিন্দা কৰিহে তেওঁ নগৰক মৰিশালি বুলি আৰু মানুহৰ সৈতে মানুহে সহজ সহযোগিতা কৰা দেখি মৰিশালিক নগৰ বুলি কৈছিল। এওঁ অত্যন্ত বুদ্ধিমান। আমাৰ ঘৰৰ অৱস্থাৰ খা-খবৰ লোৱাৰ অৰ্থ অতি সহজ—তেওঁক আমি—প্ৰযোজন হ'লে দীৰ্ঘ দিনলৈ খুৱাব পাৰিমনে নোৱাৰিম, সেই সামৰ্থ্য আমাৰ আছেনে নাই বুজ ল'ব খুজিছিল।— আমি নিশ্চয় এওঁক আতিথ্য প্ৰদান কৰিম।"

কৃষক-জীয়ৰীয়ে এটি সৰু পাত্ৰত ঘিউ, বাৰখন চাপাটি (ঘিউ সনা পাতল ৰুটি), এবাটি গাখীৰ অতিথিক দি আহিবলৈ ক'লে চাকৰ এটাক। লগতে কৃষক-কন্যা অম্বালিকাই এখন পত্ৰও প্ৰেৰণ কৰিলে। সেই পত্ৰত লিখা আছিল:

'বন্ধু,

চন্দ্ৰ পূৰ্ণ। এবছৰত বাৰ মাহ। সাগৰে তীৰ উপচি পৰিব খুজিছে।'

বাটত চাকৰটোৰ সৈতে তাৰ পুতেকৰ দেখাদেখি। পুতেকে দেউতাকৰপৰা কিবাকিবি খোৱাবস্তু খোজাত চাকৰটোৱে অতিথিলৈ দিয়া খাদ্যৰপৰা তাৰ পুতেকক খুৱালে আৰু বাকীখিনি মন্ত্ৰীপুত্ৰক দিলে।

ভোজনৰ অন্তত মন্ত্রীপুত্রই লিখিলে ঃ

'বন্ধু ! চন্দ্র আউসীৰ আছিল, বছৰ এঘাৰ মাহৰ, সাগৰৰ পানী আধা, তীৰ ওপোচাব কেনেকৈ ?'

পত্র পঢ়ি অম্বালিকাই চাকৰটোক সুধিলে, "ঘিউ, এখন ৰুটি আৰু আধা বাটি গাখীৰ কি কৰিলা ?" চাকৰটোৰ চুৰি ধৰা পৰিল।

মন্ত্রীপুত্রই মাছৰ হাঁহিৰ কথা সোধাত অম্বালিকাই ক'লে, "মহাৰাণীক কেৱল মাইকী মাছ লাগে, অথচ মহাৰাণীৰ অন্তেষপুৰত সকলোৰে চকুত বালি মাৰি কোনোবা মতা মানুহ সোমাই আছে বুলি জানিছে মাছটোৱে হাঁহি উঠিছিল যেন পাওঁ।"

মন্ত্রীপুত্রই তাইক ৰাজধানীলৈ লৈ গ'ল আৰু পুত্রৰপৰা এই কথা শুনি মহামন্ত্রীয়ে কথাটো মহাৰাজক ক'লেগৈ।

"প্রমাণ— ?" মহাৰাজে মহামন্ত্রীক সুধিলে, "এই কথাৰ প্রমাণ কি ?"

কৃষক-কন্যাই ক'লে, যে এটা বহল মুখৰ গাঁত খান্দি মহাৰাণীৰ প্রতিজনী লিগিৰীক, সেই গাঁতত জঁপিয়াজঁপি কৰিবলৈ কোৱা হওক।

বহল মুখৰ গাঁত খন্দা হ'ল ; কিন্তু মাত্র এজনীৰ বাহিৰে আন কোনো এজনীয়েও সেই গাঁতত জঁপিয়াজঁপি কৰিবলৈ মান্তি নহ'ল।

কৃষক-কন্যাই ক'লে, "যিজনীয়ে গাঁতত জঁপিয়াব খুজিছে, সেইজনী মাইকী মানুহ নহয়, মতা মানুহ।"

সকলোৰে চকুত বালি মাৰি অন্তেষ-পুৰত লিগিৰীৰ ভেশত সোমাই থকা মতা মানুহজন হাতে-লোতে ধৰা পৰিল আৰু তাক কঠোৰ দণ্ড বিহা হ'ল।

মহাৰাজে মহামন্ত্রীক বিভিন্ন পুৰস্কাৰ দিলে আৰু মন্ত্রীপুত্রৰ সৈতে কৃষক-কন্যাৰ ধুমধামেৰে বিয়া পাতি দিলে।

অতি সৰু ডাইন'ছৰ !
জগতৰ সকলো ডাইন'ছৰেই অতিকায় নাছিল। চৰাইহেন ডাইন'ছ'ৰৰো সন্ধান পোৱা গৈছে। এই কণমানি ডাইন'-ছ'ৰক কম্প'গ্‌নাথাছ ডাইন'-ছ'ৰ বোলে। দীঘলে এইবিধ ডাইন'ছ'ৰ মাত্ৰ ২ ফুটীয়া !
লুকাই থকা বিপদ !
সাগৰ-মহাসাগৰত থকা হিমবাহৰ ঘনত্বত সাগৰৰ পানীতকৈ বৰ পাৰ্থক্য নাই। সাগৰত থকা হিম-বাহৰ আঠভাগৰ সাতো-ভাগেই পানীৰ তলত ডুবি লুকাই থাকে।
কঁাইটীয়া ভোজ !
গেলাপাগোছ দ্বীপত থকা ল্যাণ্ড ইগুৱানা নামৰ'এজাতি গুঁইৰে সিজু জাতিৰ কঁাইট লগা নাগফেণাবোৰ কঁাইটৰে সৈতে ভোজ খোৱাদি খায় !

PolioPlus

IMMUNIZATION AN ASSURANCE OF GOOD HEALTH TO CHILDREN

VACCINATIONS When and How Many



Age to Start Vaccination	Name of Vaccine	Name of Disease	How Many Times
Birth	**BCG**	**Tuberculosis**	Once
6 weeks	**Polio**	**Polio**	Three times with intervals of at least one month
6 weeks	**DPT**	**Diphtheria Pertussis (Whooping Cough) Tetanus**	Three times with intervals of at least one month
9 months	**Measles**	**Measles**	Once

Babies should receive all vaccinations by the time they are twelve months old.



Pregnant women should get themselves vaccinated against Tetanus (TT) twice—in an interval of at least one month—during the later stages of pregnancy.

HEALTHY CHILD—NATION'S HOPE & PRIDE

Design courtesy : World Health Organisation

ফটো-নামকৰণ প্ৰতিযোগিতা :: পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৯১ চনৰ ডিছেমবাৰ সংখ্যাত প্ৰকাশিত হ'ব

S. B. Takalkar

Manjula

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৯১ চনৰ অকটোবাৰ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)**
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026.

১৯৯১ চনৰ অগাস্ট মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : লগৰীৰ মুখৰ বাঃ ! বাঃ ! দ্বিতীয় ফটো : কাউৰীৰ মুখৰ কাঃ ! কাঃ !

পংকজ কলিতা, বৰ্ণালীকুছি (বাকাপাৰা) বৰপেটা, অসম।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

ভাৰতত বছৰেকীয়া বৰঙণি **চান্দমামা** ৪৮.০০ টকা মাথোন

তলৰ ঠিকনালৈ পঠাব লাগিব :

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবাসুৰা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা



তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক :
অসমীয়া, হিন্দী, গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্,
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙণি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে 93.00 ● উৰাজাহাজ-যোগে 168.00

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে 99.00 ● উৰাজাহাজ-যোগে 168.00

আপোনাৰ বৰঙণি বেৰল ডিমাণ্ড ড্ৰাফ্‌ট নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক :
চাৰ্কুলেশ্যন মেনেজাৰ চান্দমামা পাবলিকেশ্যনছ চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

Cuddles always say "I love you."

Show your little ones how much you love them! And is there a better way of doing that than giving them a huggable, cuddlable playmate?

Cuddles. From the people who have given children the delightful entertainer of a magazine, Chandamama. Cuddles. A whole new range of stuffed toys. And, your old favourites. And, cute surprises being introduced regularly. Each one a sweet, adorable companion to your child. Absolutely safe. Designed to withstand childhandling.

Well, the fun and excitement of the festive season is just round the corner. Make it memorable for your child with a special gesture. With a Cuddle.

- CUDDLES — Stuffed toys from Chandamama.
- SAMMO — Mechanical and electronic toys from Chandamama

CUDDLES

Manufactured in technical collaboration with Sammo Corporation, South Korea

CHANDAMAMA TOYTRONIX

Chandamama Toytronix Private Limited, Chandamama Buildings, Vadapalani, Madras - 600 026

from

THE HOUSE OF

CHANDAMAMA

Mudra M CTPL 4274

CUDDLES AND SAMMO TOYS WILL BE AVAILABLE AT ALL LEADING TOY OUTLETS EXCEPT IN THE STATES OF ASSAM, HIMACHAL PRADESH, MADHYA PRADESH AND NORTH EASTERN STATES

CHANDAMAMA (Assamese) October 1991 Regd. No. TN/MS (S)/87